# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

SECCOND SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE ELEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA.

SEPTEMBER-OCTOBER SESSION

No-2

**The 28th September 2001.**

**Price**..27.50..........

FRIDAY, SEPTEMBER ,28th 2001.

The House met at 8-30 A.M in the Assembly Chamber at Dispur with Shri Prithivi Majhi, Speaker in the Chair,

## STARRED

## QUESTIONS AND ANSWER'S

### (To which Oral replies were given)

Mr.Speaker: Now Starred Question No.21. Hon'ble Minister P.W.D is to reply.

বিষয়ঃ- মহানগৰীৰ পথ, দলং ,নৰ্দ্দমা আদিৰ মেৰামতি ।

শ্ৰী গুনীন হাজৰিকাই, সুধিছে ,

*21.মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯৬ চনৰ ১এপ্ৰিলৰ পৰা ২০০০ চনৰ ৩১ মাৰ্চ মাহলৈ গুৱাহাটী মহানগৰত পথ, দলং, নৰ্দ্দমা আদিৰ নিৰ্মানৰ বাবদ কিমান টকা ব্যয় হ'ল ?

(খ) ফ্লাইতভাৰ আৰু দলং কেইখনৰ নিৰ্মান কাৰ্য্য উক্ত সময়ৰ ভিতৰত সম্পূৰ্ন হৈছেনে ?

(গ) ৰাষ্ট্ৰীয় ঘাই পথৰ Sixlane কৰাত কিমান কৈ এতিয়ালৈ ব্যয় হৈছে আৰু কেতিয়া কাম সম্পূৰ্ন হ'ব?

*শ্ৰী শৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ-

(ক) মুঠ ব্যয় ২৫৯.৯৩ লাখ টকা ।

(খ) নিৰ্মান কাৰ্য্য চলি আছে । নিৰ্মান সম্পূৰ্ন কৰাৰ সময়সীমা এতিয়াও উকলি যোৱা নাই ।

(গ) কোনো টকা ব্যয় কৰা হোৱা নাই। গতিকে প্ৰশ্ন নুঠে ।

*শ্ৰী গুনীন হাজৰিকা ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো যে গুৱাহাটী মহানগৰীৰ উন্নয়নৰ দিশত যোৱা ৩১মাৰ্চলৈ কিমান টকা ক'ত খৰচ কৰা হৈছে আৰু এই ক্ষেত্ৰত তেখেতে আমাক উত্তৰ দিছে । কিন্তু আমি দেখিবলৈ পাইছো যে যোৱা চাৰি মাহৰ পৰা এই কাম বিলাক স্থবিৰ হৈ গৈছে আৰু বিশেষকৈ শংকৰদেৱ কলা ক্ষেত্ৰলৈ যোৱা যিটো পথ সেইটো নিৰ্মান কাৰ্য্য সম্পূৰ্ন বন্ধ হৈ আছে । ইয়াৰ কাৰন কিঃ

* Speech not corrected.

দ্বিতীয়তে ৰাষ্ট্ৰীয় ঘাই পথ চিস্ক লেন কৰাৰ কিবা আচনি আছে নেকি আৰু গুৱাহাটী বাই পাছৰ যি কাম কৰি থকা হৈছে সেইটো কʼৰ টকাৰে কৰা হৈছে ?

*শ্ৰী শৰৎ বৰকটকী (গড়কাপ্তানি মন্ত্ৰী) ঃ- মাননীয় অধ্যক্ষ মহোদয়,মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত মই কওঁ যে - ১৯৯৬ চনৰ ১এপ্ৰিলৰ পৰা ২০০০ চনৰ ৩১ মাৰ্চলৈ বিভিন্ন শিতানৰ মূঠ ২৫৯৫.৯৩ লাখ টকা গুৱাহাটী মহানগৰিৰ বিভিন্ন উন্নয়ন মূলক কামত ব্যয় কৰা হয় । ইয়াৰ ভিতৰত পথ, দলং, নৰ্দমা আদিৰ ওপৰিও তিনি খন ফ্লাই অভাৰৰ কাম চলি আছে । যোৱা পাচ বছৰে গুৱাহাটী মহানগৰ খনৰ উন্নয়নৰকল্পে যিমান টকাৰ প্ৰয়োজন সিমান টকাৰ আৱন্টন পোৱা হোৱা নাই । সেয়ে পৰ্যাপ্ত পৰিমানে কামৰ অগ্ৰগতি হোৱা নাই. যা হওক, মহানগৰীৰ চিলং- গুৱাহাটী পথ, এ,টি, ৰোড, শংকৰ দেব কলাক্ষেত্ৰ পথ ,খানাপাৰা এক্সপ্ৰেছ পথ আদিত পূৰ্ণ গতিত কাম চলি আছে । তাৰোপৰি ৩৮'১২৮ কি:মি: পথ পকীকৰণ কৰিবলৈ লোৱা হৈছে আৰু সেই মতে প্ৰাককলন দাখিল কৰা হৈছে । ফ্লাই অভাৰ আৰু দলং কেইখনৰ নিৰ্মানৰ কাম ক্ষীপ্ৰগতিত চলি আছে। এই বোৰৰ নিৰ্মান কাৰ্য্য সম্পূৰ্ণ কৰাৰ বাবে নিৰ্দ্ধাৰিত সময় সীমা এতিয়াও অতিবাহিত হৈ যোৱা নাই। যদিহে নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত কাম সম্পূৰ্ন নহয় তেনেহলে নিবিদাৰ চুক্তিমতে ব্যৱস্থা গ্ৰহন কৰা হব।

অসম ৰাষ্ট্ৰীয় ঘাই পথৰ অধীনত কোনো চিস্কলেন বহলৰ যানবাহন চলাচল কৰিব পৰা পথ নাই। বৰ্ত্তমান ৰাষ্ট্ৰীয় প থৰ অধীনত কেৱল পʼৰলেন বহলৰ দুটা অংশৰহে নিৰ্মানৰ কাম চলি আছে। সেই দুটা হʼল -শ্ৰী ৰামপুৰৰ চেকগেটৰ (৩১ নংচি) ২৪০০কি:মি: ৰ পৰা ৪৮০০ কি:মি: লৈ আৰু ইয়াৰ কাৰণে ১৯৯৯-২০০০ চনত ১০০'০০ লাখ টকা আৱন্টন দিয়া হৈছিল । তাৰ ভিতৰত ৫০'০০ লাখ টকাৰ নন্ ড্ৰয়েল চাৰ্টিফিকেট দিছে । আনহাতে গুৱাহাটীবাই পাছৰ ১৪৬ কি:মি: ৰ পৰা ১৫৬ কি:মি: লৈ কৰিব লগীয়া নিৰ্মানৰ কাম নেচনেল হাইওৱে অথৰিটি অৱ ইণ্ডিয়াক অৰ্পন কৰা হৈছে। ইতিমধ্যে তেঁওলোকে চাইট ক্লিয়াৰেন্সৰ কাম আৰম্ভ কৰিছে। গতিকে চিস্কলেন বহল পথৰ কোনো প্ৰস্তাৱ নাই ।

*শ্ৰী গুনীন হাজৰিকা ঃ- মাননীয় অধ্যক্ষ মহোদয়, আমি শুনিবলৈ পাইছো যে গনেশগুৰী ফ্লাই অভাৰৰ কাৰনে চৰকাৰে হাডকোৰ পৰা যি লʼন লৈছিল সেই লʼনৰ সুদৰ টকা নিদিয়াৰ কাৰণে হেনো হাডকোৱে টকা দিয়া বন্ধ কৰি দিছে আৰু সেইকাৰণে কাম বন্ধ হৈ আছে । ইয়াৰ কাৰনে হয়তো সেই ফ্লাই অভাৰখন নিৰ্দ্দিষ্ট সময়ত কাম সম্পূৰ্ণ নহল । এইটো সচাঁ নেকি ? দ্বিতীয় কথা হʼল -আঠ -গাওঁত যি খন ফ্লাই অভাৰ নিৰ্মানৰ কাম হাতত লোৱা হৈছিল সেইখনৰ কাৰণে ৰাজ্য চৰকাৰে এইবাৰ বাজেটত কোনো টকা ধৰা নাই নেকি ?

* Speech not corrected.

শ্ৰীশৰৎ বৰকটকী ঃ-অধ্যক্ষ মহোদয়, ফ্লাই অভাৰ কেইখনৰ কথা মই সদনক জনাব খুজিছো -হাডকোৰ পৰা যি ল'ন লোৱা হৈছিল সেই টকাৰ সুদ নিদিয়াৰ কাৰণে টকা পোৱাত অশুবিধা হৈছে । কিন্তু এতিয়া আমি দিল্লীলৈ গৈ বিভাগীয় বিষয়া আৰু মন্ত্ৰীৰ লগত এই বিষয়ে কথা বতৰা হৈ বাকী টকা খিনি সোনকালে ৰিলিজ কৰাৰ ব্য ৱস্থা কৰিছো। আৰু আমি আশা কৰিছো বাকী টকাখিনি সোনকালে পাম ।আমাৰ কিছুমান বটোলনেক নোহোৱা নহয় ।এই কেইটাৰ কাৰণে কাম বন্ধ হৈ গৈছে আৰু এই ক্ষেত্ৰত সোনকালে ব্যৱস্থা গ্ৰহনৰ কাৰনে চৰকাৰে ব্যৱস্থা গ্ৰহন কৰিছে ।আঠ গাঁওৰ ফ্লাই অভাৰ খনৰ কাম ষ্টেট ফান্ডৰ পৰা কৰিবলৈ লোৱা হৈছিল। আমি কাৰ্য্যভাৰ লোৱাৰ পিছত মই নিজে তালৈ গৈ তাৰ কাম কাজ চাইছো। এইখন ষ্টেট ফান্ডৰ পৰা কৰিবলৈ লোৱাতোৱেই ভুল হৈছে। ষ্টেট ফান্ডৰ পৰা এইখনৰ কাম কৰিবলৈ লব নালাগিছিল কিয়নো আমাৰ ৰাজ্য চৰকাৰৰ আৰ্থিক অৱস্থা একেবাৰে বেয়া ।এই ফ্লাই অভাৰৰ কাৰণে এতিয়ালৈকে ৩৭'৯০ লাখ টকা দিয়া হৈছে। এতিয়া এখনৰ কাম সম্পূৰ্ণ কৰিবলৈ হলে আমি হয়তো আকৌ হাড্‌কোৰ পৰাই ল'ন লব লাগিব ।নহলে এইখনৰ কাম সম্পূৰ্ণ কৰা টান হব এইখন তেতিয়াই ৰাজ্য চৰকাৰে লব নালাগিছিল। সেই সময়ত তেওঁলোকে পপুলাৰিটি ক্ৰিয়েট কৰাৰ কাৰণে এইখনৰ কাম হাতত লৈছিল ।

*শ্ৰী গুনীন হাজৰিকা ঃ-অধ্যক্ষ মহোদয়, এইখন সেই সময়ত পপুলাৰিটিৰ কাৰণে লোৱা হৈছিল বুলি মন্ত্ৰী মহোদয়ে কৈছে। এইখন ফ্লাই অভাৰৰ প্ৰয়োজন নাই বুলি চৰকাৰে ভাবে নেকি? যদি প্ৰয়োজন আছে বুলি ভাবে তেনেহলে আগৰ চৰকাৰে কৃৰিব নোৱাৰা কাম খিনি এই চৰকাৰে কৰাৰ ব্যৱস্থা কৰিব নে ? ইয়াৰ লগতে শংকৰদেৱ কলাক্ষেত্ৰ লৈ যোৱা পথটো একেবাৰে ভাঙি চিঙি গৈছে ।কলাক্ষেত্ৰলৈ অসমৰ বাহিৰৰ পৰাও বহু লোক আহে ।গতিকে এইটো সোনকালে মেৰামতি কৰাৰ ব্যৱস্থা কৰিব নে ?

*শ্ৰী শৰৎ বৰকটকী(মন্ত্ৰী)ঃ- অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোয়েই যে আঠ গাঁওৰ ফ্লাই অভাৰ খনৰ কাম ৰাজ্য চৰকাৰৰ ফান্ডৰ পৰা কৰিবলৈ লব নালাগিছিল । পাৰিলে সেইখনো হাডকোৰ পৰা ল'ন লৈ কৰিব লাগিছিল ।এই দলং খনৰ প্ৰয়োজন নাই বুলি আমি কোৱা নাই ।আমাৰ বিত্তীয় নীটনিৰ কথাটোহে কৈছো সেই মতে শংকৰদেৱ কলাক্ষেত্ৰলৈ যোৱা ৰাস্তাটোৰ কথা মই কব খুজিছো যে। Physical & Financial Progress up to 29.09.01of

---

* Speech not corrected.

A. Construction of Fly -over at Ganeshguri.

| | |
|---|---|
| 1) Physical Progress | : 95% |
| 2) Financial Progress | : Rs. 943.98 lakhs |
| 3) Tender value (Bridge Proper ) | : Rs. 1387.80 lakhs |
| 4) Estimated value | : Rs. 2128.00 lakhs |
| 5) Resied Estimated value | : Not yet submitted |
| 6) Name of Contractor | : M/S L & T Ltd. |
| 7) Date of Issue of Formal Work Order | : 22.02.2000. |
| 8) Date of commencement | : 27.02.2000. |
| 9) Date of completion as per tender agreement | : 22.08.2001 |
| 10) Revised date of completion | : October, 2001 |
| 11) Bottleneck : | |
| a) No Payment made from | : May, 2001 |
| b) Shifting of three Nos. of Electric Pole by ASEB. | |
| c) Pending Court Case. | |

B. Construction of Fly-over at Ulubari :

| | |
|---|---|
| 1) Physical Progress | : 30% |
| 2) Financial Progress | : Rs. 332.80 lakhs. |
| 3) Tender value (Bridge Proper ) | : Rs. 1107.59211 (L) |
| 4) Estimated value | : Rs. 1794.96 Lakhs |
| 5) Revised Estimated value | : Not (yeat done . |
| 6) Name of Contractor | : M/S AMEA DEVELOPERS PVT.LTD. |
| 7) Date of Issue of Formal Work Order | : 25.08.2000 |
| 8) Date of commencement | : 09.09.2000. |

| | |
|---|---|
| 9) Date of completion as per tender agreement | : 25.12.2001 |
| 10) Revised targeted a date of completion | : 25.06.2002 |

Bottleneck :

a) Due to existance of U.G. Water Supply pipe lines of G.G.C., PHE & Urban Water Supply and Sewerage Board.

b) Non- shifting of Electrical lines, poll etc. including P&T Cable etc.

c) Delay due to non - clearance of L.A.Cases which are in the Revenue Deptt.

d) Timely release of fund.

**C. Construction of Fly-over at Athgaon :**

| | |
|---|---|
| 1) Physical Progress | : 50% |
| 2) Financial Progress | : Rs. 17036 lakhs |
| 3) Tender value (Bridge Proper ) | : Rs. 118432239.00 (L) |
| 4) Estimated value | : Rs. 15.00 Crores |
| 5) Revised Estimated value | : Rs. 22.22 Crores. |
| 6) Name of Contractor | : D.D.Sarma |
| 7) Date of issue of Formal Work Order | : 26.10.1999 |
| 8) Date of commencement | : December, 1999 |
| 9) Date of completion as per tender agreement | : July,2001 |
| 10) Revised date of completion | : July, 2002 |
| 11) Bottlemeck | : No made from Aug. 2001 |

**E. Construction of Express Highway :**

| | |
|---|---|
| 1) Physical Prohress | : 72% |
| 2) Financial | : Rs. 11.16. Crores |
| 3) Tender value | : Rs. 854'99 Lakhs |
| 4) Estimated value | : Rs. 3.38 Crores |
| 5) Revised Re- revised. Estimated value | : Rs. 7'57 &16'82 Crores |
| 6) Name of Contractor | : D.N.Choudhury/ Young Constuuction (A.K.Jain)/ Dilip Kr Dutta. |
| 7) Date of issue formal work order | : 12.06.2000 & Feb./2001 |
| 8)Date of commencement | : June 1991& balance - work from : June 2000 |
| 9) Date of completion as per tender agreement | : Feb. 2001 |
| 10) Revised targetted date of completion | : March, 2002 |
| 11) Bottleneck | Delay in payment & pend ing L.A.Cases. |

F. Construction of Sankardev Kalakhetra Road :

| | |
|---|---|
| 1) Physical Progress | : 60% |
| 2) Financial Progress | : Rs. 2.57 Crores |
| 3) Tender value | : Rs. 574.15 lakhs |
| 4) Estimated value | : Rs. 2.40 Crores |
| 5) Revised estimated value | : Rs. 6.08 crores |
| 6) Name of contractor | : Rs. Young construction (A Jain) |

| | |
|---|---|
| 7) Date of issue of formal work order | : Rs. 29.05.2000 |
| 8) Date of commencement | : Rs. 29.05.2000 |
| 9) Date of completion as per tender agreement | : Rs. 20.11.2000 |
| 10) Revised targetted of completion | : Rs. 31.03.2002 |
| 11) Bottleneck | : Delay in payment & pending LA.Cases. |

*শ্রী দীলিপ কুমাৰ শইকীয়া ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে 'ক' প্ৰশ্নৰ উত্তৰত আগৰবালাই যিমান টকাৰ ঠিকা পাইছে সেই অনুপাতে কাম সম্পূৰ্ণ হোৱা নাই বুলি কৈছে । কিমান টকা পাইছে আৰু কিমান কামৰ অনুমোদন পাইছে আৰু কিমান খিনি কাম বৰ্ত্তমান হৈছে জনাব নেকি ? মন্ত্ৰী মহোদয়ে সৰহ সংখ্যক কাম চলি থকা বুলি কৈছে এই সকলো বিলাক সময়ৰ ভিতৰত সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিব নেকি ?

Shri Sarat Borkatoky (Minister P.W.D): Hon'ble Speaker Sir, construction of G.S. Road, Physical Progress 75% Financial Progress 617.00 L, Name of Contractor Shri G.L.Agarwala, Date of w/o - 23.5.96, Date of Commencement - 29.12.98.ইতিমধ্যে আপোনালোকে দেখিছে কি ব্যৱস্থা গ্ৰহন কৰিছো। আমি অনুৰোধ কৰিছো টাইম লিমিটৰ ভিতৰত জি,এচ ৰোডৰ কাম শেষ কৰিব লাগে। ওৰ্বাল্ড বেংকৰ পৰা আমি যিটো টকা লৈছো কন্টেকটাৰ বিলাকে সময় মতে কামটো শেষ কৰিব নোৱাৰিলে তেওঁলোকৰ টকা শতকৰা ১০ কৈ কটা যাব ।

*শ্ৰী দীলিপ কুমাৰ শইকীয়া ঃ- যীচাল আগৰওৱাল ব্লেক লিচটেট নহয় নেকি ? কৰিব লাগে ।

*শ্ৰী হিমন্ত বিশ্ব শৰ্মাঃ-মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জি,এচ ৰোড বিলাক কংক্ৰীট কৰিব নোৱাৰি নেকি? যিহেতুকে বিটোমিন ব্যৱহাৰ কৰা হয় সেয়ে ৪/৫ বছৰৰ পাচত সেই সকলো বিলাক নষ্ট হৈ যায়। আমাৰ যিটো টেকনলজী আছে সেইটো আপগ্ৰেডেট কৰিব নোৱাৰি নেকি ?

*শ্ৰী শৰৎ বৰকটকী (মন্ত্ৰী) ঃ- এতিয়াও সেই ব্যৱস্থা লোৱা নাই। মাননীয় সদস্য গৰাকীয়ে দিয়া পৰামৰ্শটো লবলৈ চেষ্টা কৰিম ।

---

* Speech not corrected.

*শ্ৰী পানীৰাম ৰাভা ঃ-'গনেশগুৰি ফ্লাই অভাৰৰ ওচৰতে বিষ্ণু ৰাভা নাম ৰ এখন পাৰ্ক আছে আৰু সেই ফ্লাই অভাৰ খন বনোৱাৰ সময়ত বিষ্ণু ৰাভা নাম দিয়াৰ কথা আছিল কিন্তু এতিয়ালৈ ঘোষনা হোৱা নাই ।

*শ্ৰী শৰৎ বৰকটকী (মন্ত্ৰী) ঃ- এইটো দিয়া হৈছে ।

*শ্ৰী দীলিপ কুমাৰ শইকীয়া ঃ- শংকৰদেৱকলাক্ষেত্ৰটো মাটি দিয়া ৰ কথা আছিল কিন্তু মাটি দিয়া নাই।

**Mr.Speaker: Now Starred Question No .22 Hon'ble Minister P.W.D is. to reply.**

## বিষয় ঃ- দলং নিৰ্মান

শ্ৰী হেমেন্দ্ৰ নাথ ব্ৰহ্মই সুধিছে ;

*22.মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে আনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সাপটগাম -কৰ্ত্তিমাৰীৰ দলংখন ভাঙি যোৱাৰ ফলত কোকৰাঝাৰ আৰু ধুবুৰী জিলাৰ মাজত যোগা-যোগ বিচ্ছিন্ন হৈ আছে, এই বিষয়ে চৰকাৰ অৱগত নে ?

(খ) চিথিলাৰে ওচৰত গঙ্গীয়া নদীৰ ওপৰত এখন দলং আছিল কিন্তু দলংখন ভাঙি যোৱাৰ ফলত গোসাইগাওঁ মহকুমা আৰু কোকৰাঝাৰ জিলাৰ মাজত যোগা-যোগ বিচ্ছিন্ন হৈ আছে, চৰকাৰ অৱগতনে ?

(গ) যদি আৱগত তেন্তে এই দলং দুখনৰ পুনৰ নিৰ্মান কেতিয়াৰ পৰা আৰম্ভ কৰিব ?

শ্ৰী শৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) হয়, অৱগত।

(গ) গোসাইগাও-সাপটগ্ৰাম ৰাস্তাৰ কৰ্ত্তিমাৰীৰ ওচৰত থকা কাঠৰ দলং নং -২০/১ নিৰ্মানৰ বাবে এই ৱাৰ চেন্ট্ৰেল ৰোড ফান্দ (C.R.F )ৰ ২০০১-২০০২ চনৰ আচনিত অন্তভূক্ত কৰা হৈছে। আঁচনিৰ অনুমোদন পালে কাম কৰা হব ।

ভাওৰাগুৰী -মোনকচা ৰাস্তাৰ চিথিলাৰ ওচৰৰ গঙ্গীয়া নদীৰ ওপৰত থকা কাঠৰ দলং নং ৫/১ খন পকী কৰাৰ বাবে এইবাৰ Non - Lapsable central pool of Resources for ২০০১-২০০২ ত ধৰা হৈছে, অনুমোদন পালে কাম কৰা হব।

*শ্ৰী হেমেন্দ্ৰ নাথ ব্ৰহ্ম ঃ-মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰ দিছে মই অতি

* Speech not corrected

সন্তুষ্ট হৈছো। দলঙৰ বাকী থকা কাম খিনিও কমপ্লিত হোৱা যেন পাইছো। বিগত চৰকাৰৰ দিনত যোৱা ৫ বছৰে এই প্ৰশ্নৰ উত্তৰ শুনি আহিছো। ইয়াত এটা কথা কৈছে অনুমোদন পালেহে কামটোকৰা হব। যোৱা ৫ বছৰৰ দৰে পুজি সাপেক্ষে ব্যৱস্থা লোৱা হব বুলিয়েই এই ৫ বছৰো কটোৱাৰ ব্যৱস্থা কৰিছে নেকি অনুমোদন লোৱাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা লোৱা হব নে নহয় ? ২ খন দলঙৰ উত্তৰ পাইছো । মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিচো এখন দলঙ কিমান দিনৰ পৰা নষ্ট হৈ দুখন জিলাৰ যোগা যোগ বিচিন্ন হৈ আছে আৱগত নে?

ফ্লাইওভাৰত যি দৰে ইমৰ্পৰটেঞ্চ দিছে ঠিক তেনে কৈ ৰাস্তা ,দলঙ আদিৰো ইন্টাৰেষ্ট দি ইমপোৰটেন্স দিলে সুখী হম। আমাৰ বেচি ভাগ সদস্যই গাওঁৰ পৰা অহা। গতিকে দলঙ, ৰাস্তা আদি মেৰা মতি কৰাৰ বাবে শীঘ্ৰে ব্যৱস্থা লব নে?

*শ্ৰী শৰৎ বৰকটকী (মন্ত্ৰী) ঃ-মাননীয় অধ্যক্ষ মহোদয়, গোসাই গাওঁ চপটগ্ৰাম ৰাস্তাৰ কৰ্তীমাৰিৰ ওচৰত থকা কাঠৰ দলঙ ই:ৰাজী ১৯৮৯ চনতে হাৰভাঙা নদীয়ে খহাই ৰাস্তা নাইকীয়া কৰে । ৰাস্তাটো মেৰামতি কৰিবৰ বাবে তেতিয়াৰ পৰা এফ, ডি, আৰ ক এচটিমেট দিয়া হৈ ছিল । কিন্তু কোনো বছৰে এচটিমেট চেংচন নোহোৱাৰ বাবে কাম হাতত লব পৰা নাই । তাৰোপৰি যোৱা ইং ১৯৯৭ চনত গংগীয়া নদীয়ে নিজৰ পুৰানা গতি সলাই হাড়ভাঙা নদীৰ লগত মিলিত হোৱাত যোগাযোগ সম্পূৰ্ণ ভাৱে বিচিন্ন হয় । এই বিচিন্নতাৰ বাবে জনসাধাৰনৰ অহা যোৱাৰ সুবিধাৰ বাবে ফেৰীঘাটৰ ব্যৱস্থা লোৱা হয়। দলং এখন পুনৰ নিৰ্মানৰ বাবে এচটিমেট দিয়া হৈছিল যদিও এতিয়া লৈকে চেংচন নোহোৱাত একো কৰিব পাৰা নাই এই বেলি চেন্ট্ৰেল ৰোৰ্ড ফান্ড , গৱৰ্ণমেন্ট অৱ ইণ্ডিয়া ফ'ৰ ২০০১-২০০২ চনৰ আচনিত লোৱা হৈছে। আনুমোদন পালে কাম কৰা হব। ভাওৰাগুৰী মনাকোছা গড়কাপ্তানী ৰাস্তাৰ চিথিলাৰ ওচৰতগংগীয়া নদীৰ ওচৰত কাঠৰ দলঙখন নিৰ্মানৰ বাবে যোৱা বেলি চি,আৰ, এফ শিতানত প্ৰায় ৬৮০০ লাখ টকাৰ আনুমানিক খৰচৰ বাবে পঠোৱা হৈছিল । কিন্তু আজিলৈকে অনুমোদন পোৱা নাই . এই বেলি আকৌ নন লেপচেবল চেন্টেলৰ পুল অৱ ৰিচোৰ্চ চেচ ফৰ ২০০১-২০০২ ত পকী দলঙৰ বাবে ধৰা হৈছে। বিভাগীয় অনুমোদন পালে কাম কৰা হব ।

*শ্ৰী হেমেন্দ্ৰ নাথ ব্ৰহ্ম ঃ- যোৱা বাৰ ৰাস্তা ৰিপায়াৰিংৰ শিতানত টকা ধৰা হৈছিল কিন্তু নিৰ্মান হোৱা নাই। এই দলঙখনো নিৰ্মান কৰা নহল । গতিকে এইবাৰ যিটো শিতানতেই এই টকা আবন্টন বিচাৰিছে তাৰ ফালোআপ একচনৰ কাৰণে কনচাৰন বিভাগে যোগা যোগ কৰিছে নে নাই মই

* Speech not corrected

জানিব বিছাৰিছো অধ্যক্ষ মহোদয়ে ,মানকুৰাৰ হাগুৰি ৰাস্তাটো গংগীয়া নদীৰ ওপৰত থকা হেতুকে আৰু দলও খন সম্পূর্ণ নোহোৱাৰ বাবে তাত ফেৰি এখন লিজত লৈ মানুহ খিনিক ইপাৰ সিপাৰ কৰা হৈছে । এই ক্ষেত্রত মন্ত্ৰী মহোদয়ে ফ্ৰী কৰি দিয়াৰ কথা কৈছিল । ৰাইজৰ বিপুল দাবীত এম,এল,এ ফান্ডৰ পৰা কিছু পইচা দিয়া হয় ।কৰ্ত্তীমাৰি দলং নোহোৱাৰ কাৰনে ৰাজনৈতিক ভাৱে হাইৰ্কোট লৈ যোৱা হৈছে যদিও এই ফেৰি ঘাটতো বহুত মানুহ অহা যোৱা কৰিব লগা হয় ইয়াতো ফ্ৰী কৰি দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে বুলি অনুৰোধ জনালো ।

*শ্ৰী শৰৎ বৰকটকী (মন্ত্ৰী) ঃ-নিশ্চয় ফ্ৰী কৰি দিয়াৰ ব্যৱস্থা কৰিম ।

Mr.Speaker .Now Starred Question No. 23 Hon'ble Minister P.W.D.is to reply.

## বিষয় ঃ- P.W.D. বিভাগের রাস্তার সংখ্যা ।

শ্ৰী চাহাব উদ্দিন চৌধুরী জিজ্ঞাসা করেছেন ঃ

*23. মাননীয় গরকাপ্তানী বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) P.W.D বিভাগের অধীনে সমগ্র আসমে কতগুলি রাস্থা আছে ?

(খ) C.R.F. ফান্ডের মাধ্যমে হাইলাকান্দি পুর্ত বিভাগের কোন কোন রাস্তায় সর্বমোট কতটাকা খরছ হয়েছে?

*শ্রী শৰৎ বৰকটকী (গড়কাপ্তানী মন্ত্রী) য়ে উত্তর দিয়েছেন ঃ

(ক) সমগ্র আসামে P.W.D.বিভাগের সর্বমোট ৩৫,২৭২.৬৬ কি:মি রাস্তা রয়েছে । ইয়ার মধ্যে রাষ্ট্রিয় ঘাই পথ ২৩৯০.০০ কি:মি: রাজ্যিক ঘাই পথ ২০৫৪.২১কি:মি প্রধান জিলাপথ ৫৬০৭.৯২ কি:মি আর অন্যান্য জিলাপথ এবং গ্রামিন পথ ২৫,২২০.৫৩ কি:মি

(খ)(i) হাইলাকান্দি রতনপুর রাস্তায় ২০০০-০১ সনে খরছ হয়েছে = ২৪,৩০,৪১৩.০০ টাকা।

(ii)নারাইনপুর - চান্তিপুর রাস্তায় ২০০০-০১ সনে খরছ হয়েছে = ১১,৩৩,০০.০০ টাকা ।

(iii)আলগাপুর বার্নবিজ রাস্তায় ২০০০-০১ সনে খরছ হয়েছে = ৭,৮০,০০০.০০ টাকা।

---

* Speech not corrected

(iv)শ্রীকোনা -মোহনপুর রাস্তায় ২০০০-০১ সনে খরছ হয়েছে = ৩,৬৫,০০০.০০ টাকা।
(v)কৈয়া চাবাগান হইতে আইনা খাল লতা। কান্দি রাস্তায় ২০০০-০১ সনে খরছ হয়েছে = ২৪,৫১,৫৫০.০০ টাকা।
(vi)শিলচর -হাইলাকান্দি রাস্তায় ২০০০-০১ সনে খরছ হয়েছে = ১,১৭,২৪৭.০০ টাকা।

শ্রী চাহাবউদ্দিন চৌধুরী ঃ- মাননীয় অধ্যক্ষ মহোদয়ে , মাননীয় মন্ত্রী মহোদয় আমার প্রশ্নের যে উত্তর দিয়েছেন তাতে আমি সন্তুষ্ট। আমাদের হাইলাকান্দি জেলার রাস্তাঘাটের যা অবস্থা তা সমস্ত আসামের রাস্থাঘাটের তুলনায় খুবেই খারাব। গ্রামের রাস্তার বাদ দিলেও হাইলাকান্দিজেলার সঙ্গে যোগাযোগে একমাত্র যে রাস্তা যাকে লাইফ লাইন বলা হয় - সেই বদর পুর -হাইলাকান্দির রাস্তা যাতায়াতের অনুপোযুক্ত । আগের সরকারের দিনে বার বার প্রতিশৃতি দেওয়া হয়েছিল যে এন ই সি এবং বি আর টি এফ'র মাধ্যমে এই রাস্তা মেরামতি করে যাতায়াতের উপযুক্ত করা হবে । বর্তমান সরকারের মাননীয় মন্ত্রী শ্রী গৌতম রয় মহাশয়ও প্রতিশ্রুতি দিয়েছেন যে এই রাস্তা এন ই সি বা বি আর টি এফ দ্বারা মেরামতি করা হবে । কিন্তু সেটা করা হয় নি। এই রাস্তা দিয়ে কোন যান বাহন চলে না ।
যান বাহন চলে পাথার দিয়ে । সুতরাং আমার প্রশ্ন হলো - এই রাস্তা যান বাহন চলাচলের উপযুক্ত করে তৈরী করার জন্য সরকার কি ব্যব্স্থা নিবেন? মন্ত্রী মহোদয় জানাবেন কি ?

Shri Sarat Barkotoky (Minister, P.W.D.):Hon'ble Speaker Sir, total length of road of 33,271,66 K.M. as on 31.03.2001 comprising 2,390 K.M. National Highways , 2,054.21 KM State High ways, 5,607.92 KM Major District Roads and 25,220 KM other District Roads including Village Roads . The percentage of black topped (BT) Roads of the state is about 22% as against a National Average of about 52 percent.
The rest of the state roads are gravelled.
A significant feature of the road network of the state is the huge number of about 7800 timber bridges occuring it at an average interval of about 1 bridge per 4 KM, Which is perhaps the highest frequency of bridges in the country with enormous dif-

* Speech not corrected

-ficulties of maintenance due to scarcity of specified timbers and constraints of funds. these bridges constitute a major handecap of road network with frequent damages to the same resulting in disruption of traffic every now and then. It world be pertinent to mention here the colosal huge amount mainte nance problem facing the road network due to chronic under funding. During the last five year, the fund available, for road maintenance was around 11% of the requirement as per norms prescribed by the committee on Maintenance Norms, MOST, GOI. It is on record that during the last five years, the P.W.D.received an average of only; Rs. 14.00 crores as against normative requirement of Rs. 132.00crores which is aggravating the problem year after year. Total estimated about for 6 nos .of roads under FDR (CRP) head for 2000 - 01 is 90.8 Lakhs out of this total FOC received time to time Rs .77,7792 lakhs and expenditure incurred so far is 72.77 lakhs the balance FOC is awaited. এই কথাটো এন,ই,চিৰ অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা হৈছে আৰু তেতিয়াহি ৰাস্তাটো ভাল কৰি দিয়া যাব।

Mr.Speaker : Now Starred Question No.24.Hon'ble Minister P.W.D. is to reply.

## বিষয় ঃ- ARIASP অধীনৰ ৰাস্তা

**শ্ৰী নাথু বড়োৱে সুধিছে ঃ**

*২৪। মাননীয় গড়াকাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) দৰং জিলাত ARIASP ৰ অধীনত কিমান ৰাস্তা ধৰা হৈছে ?

(খ) ইয়াৰে কলাইগাওঁ সমষ্টিত কিমানটা ৰাস্তা ধৰা হৈছে ।

(গ)ARIASP ৰ ৰাস্তা আচলতে Black top আচনিৰ আছিলনে ?

(ঘ) মহিপাৰা টংলা পথটোৰ ননৈ নদীত ARIASP য়ে R.C.C দলং বনোৱা প্ৰস্তাৱ আছেনে ?

(ঙ) যদি নাই, তেতিয়াহলে কি উদেশ্যত এই ৰস্তাটো ARIASP ৰ অধীনত ধৰা হৈছিল ?

শ্ৰী শৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে:

(ক)দৰং জিলাত ARIASP ৰ অধীনত ১১ টা ৰাস্তা ধৰা হৈছে ।

(খ) ইয়াৰে কালাইগাওঁ সমষ্টিত ২ টা ৰাস্তা ধৰা হৈছে ।

(গ) ARIASP ৰ ৰাস্তা কিছুমানত সম্পূৰ্ণ ভাবে পকী কৰণ আৰু কিছুমানত আংশিকভাবে পকীকৰণৰ আচনি আছে ।

(ঘ) বৰ্ত্তমান নাই ।

(ঙ) প্ৰথমতে বিশ্ববেংকৰ অধীনৰ PKD 6 B ত দলংখন R.C.C বনোৱাৰ বাবে প্ৰস্তাৱ লোৱা হৈছিল, কিন্তু টকাৰ নাটনিৰ বাবে বিশ্ববেংকৰ পৰা অনুমোদন পোৱা নগ'ল।

শ্ৰী নাথুৰাম বড়ো ঃ অধ্যক্ষ মহোদয় ,দৰং জিলাত এৰিয়াৰ এচ,পিৰ অধিনত মন্ত্ৰী মহোদয়ে দুটা ৰাস্তা বুলি কৈছে আচলতে তিনিটা হব লাগে । যদি দুটাই হয় কোনটো কোনটো ৰাস্তা কলে ভাল পাম।

শ্ৰী শৰৎ বৰকটকী (মন্ত্ৰী )ঃ-অধ্যক্ষ মহোদয়, দুয়োখন দলঙৰে উন্নয়নৰ কাম হাতত লোৱা হৈছে ।

শ্ৰী নাথুৰাম বড়ো ঃ-মন্ত্ৰী মহোদয় উত্তৰত এটা ৰাস্তাৰ নাম উল্লেখ হোৱা নাই তেখেতৰ হাতত নিশ্চয় আছে। পাথৰিঘাট খৈৰাবাৰী যিটো ৰাস্তা আছে সেই ৰাস্তাৰ এটা অংশ ছিপাঝাৰত পৰে মোৰ সমস্টিত চকি:মি: পৰে এই ৰাস্টাটোৰ কথা কলে ভাল পাম ।

শ্ৰী শৰৎ বৰকটকী (মন্ত্ৰী )ঃ- চাই চিতি বাৱস্থা লম ।

শ্ৰী নাথুৰাম বড়ো ঃ- এই ৰাস্টাটোৰ ননৈ নদীৰ ওপৰত দলং নাই তাত আৰচিচি দলংৰ ব্যৱস্থা কৰা নাই, এই ৰাস্তাটোৰ দুয়োপাৰে কাম হৈছে কিন্তু নদীটোৰ ওপৰত দলং খনৰ ব্যৱস্থা কৰা নাই দলংখনৰ দুয়োপাৰে দুখন হায়াৰচেকেণ্ডাৰি স্কুল আছে যাৰ কাৰনে যতায়াতৰ ভীষন অসুবিধা হৈছে , আগন্তক দিন বিলাকত কিব্বা ব্যৱস্থা লবনে ?

* Speech not corrected

শ্ৰী শৰৎ বৰকটকী (মন্ত্ৰী) ঃ- অধ্যক্ষ মহোদয়, বিবেচনা কৰা হব ।

শ্ৰী কৰেন্দ্ৰ বসুমতাৰী ঃ- অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো মেথিপাৰা ভালুকপুং সেই ৰাস্তাটো আৰু ওদাল গুৰী - খাৰুপেটিয়া যিটো ৰাস্তা, যিটো বোৰ্ডাৰ ৰোডক দিয়া কথা আছিল মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা লৈছে ?

শ্ৰী শৰৎ বৰকটকী (মন্ত্ৰী) ঃ- মই চাই চিতি তেখেতক জনাই দিম ।

ড. জয় নাথ শৰ্মা ঃ- অধ্যক্ষ মহোদয়, ৱৰ্ল্ড বেংকে যিবোৰ ৰাস্তা ললে তাৰ ভিতৰত দৰংজিলাত শতকৰা ৫০ ভাগ কাম কৰিবলৈ বাকী থাকিল সেই কাম বিলাক অহা মাৰ্চ মাহৰ ভিতৰত শেষ কৰাৰ ব্যৱস্থা কৰিবনে?

*শ্ৰী শৰৎ বৰকটকী (মন্ত্ৰী) ঃ- ৱৰ্ল্ড বেংকৰ যিবিলাক কাম বাকী থাকিল যদি আগৰ ঠিকাদাৰ বিলাকে কাম নকৰে তেনেহলে আন ঠিকাদাৰক দি কাম বিলাক শেষ কৰাৰ ব্যৱস্থা কৰা হৈছে । তৰাচিহ্নিত প্ৰশ্ন ২৩ ৰ মাননীয় সদস্য শ্ৰী নাথু ৰাম বড়োই সোধা প্ৰশ্নৰ পৰিপূৰক টোকা মন্ত্ৰী মহোদয়ে পঢ়ি দিছে বিশ্ব বেংকৰ অনুদানেৰে অসমৰ দৰং জিলাত মুঠ ১১ টা ৰাস্তা আৰু ২৭ খন দলং উন্নয়নৰ বাবে কাম হাতত লোৱা হৈছে । ইয়াৰ সম্পূৰ্ন বিবৰণ অনুবদ্ধ ক'ত দেখুওৱা হৈছে । কালাই গাঁও সমষ্টিৰ অন্তৰ্গত মেকেঞ্জি পথ আৰু টংলা মহলীয়া পাৰা পথ এই আচনিৰ অন্তৰভুক্ত কৰা হৈছে । এই পথ দুটাৰ টংলা মহলীয়াপাৰা-পথটো সম্পূৰ্ন পকীকৰন আৰু মেকেঞ্জী পথটো আংশিক ভাবে শিলগুটি দিয়া আৰু আংশিকভাবে পকীকৰন আচনি আছে। দৰং জিলা মুঠ ১১ টা পথৰ ভিতৰত ৬ টা সম্পূৰ্ন পকীকৰণ কৰা আৰু বাকী ৫টা আংশিকভাবে পকীকৰণ আৰু আংশিকভাবে শিলগুটি দিয়া আচনি আছে । বৰ্ত্তমান এই আটাই কেইটা (১১) ৰাস্তাৰ কাম চলি আছে । ৰাস্তা বিলাকৰ অগ্ৰগতিৰ বিষয়ে অনুবদ্ধ 'ক' ত দেখুওৱা হৈছে । মহলিয়া পাৰা টংলা পথটোৰ নৈনে নদীত থকা দলংখন আৰচিচি কৰাৰ বাবে এৰিয়া এচপি আচনিৰ অন্তৰভূক্ত কৰিবৰ কাৰণে জৰীপ আদি কৰা হৈছিল কিন্তু টকাৰ নাটনিৰ বাবে অৱশেষত এই দলংখন বিশ্ব বেংকৰ আচনিত অন্তৰভুক্ত নহ'ল।

Mr. Speaker: Now Starred Question No. 25 Hon'ble Minister P.W.D. is to reply.

* Speech not corrected

## বিষয় ঃ- ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথ ।

শ্ৰী দিলীপ কুমাৰ শইকীয়াই সুধিছে,

*২৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথৰ ধেমাজি জিলাৰ চমৰাজান অংশ পুনৰ নিৰ্মান আৰু মেৰামতি কৰনৰ বাবে কেন্দ্ৰীয় চৰকাৰে M.O.R.T বিভাগৰ পৰা কিমান টকা আবন্টিত হৈছে ?
(খ) উক্ত পথ আৰু কাঠৰ দলং সমূহ পুনৰ নিৰ্মান আৰু মেৰামতিৰ কাম কেতিয়া আৰম্ভ হব আৰু সম্পূৰ্ণ কেতিয়া হব ?
(গ) ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথৰ বাইহাটাৰ পৰা জোনাইলৈ এইছোৱা পথ বৰ্ডাৰ ৰোড অৰ্গেনাইজেশ্বনক চমজাই দিয়া টো সত্যনে ?
(ঘ) ঘিলামাৰা খলিহামাৰী বুটীকুৰ হৈ ধেমাজি সংলগ্ন গড়কাপ্তানী পথছোৱা পুনৰ মেৰামতি আৰু দলং সমূহ নিৰ্মানৰ কিবা আঁচনি আছে নেকি ?

শ্ৰী শৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) কেন্দ্ৰীয় চৰকাৰৰ M.O.R.T & H বিভাগে ধেমাজী জিলাৰ চমৰাজান অংশ পথ মেৰামতিৰ বাবদ ২০০১-২০০২ চনত ২৬১.৬৮ লাখ টকা আবন্টন দিছে আৰু দলং নিৰ্ম্মানৰ বাবে ৬০.২৭ লাখ টকা আবন্টন দিছে ।
(খ) উক্ত পথৰ ধেমাজি জিলাৰ চমৰাজানৰ পুনৰ নিৰ্মানৰ বাবে নিবিদা লোৱা হৈছে আৰু মেৰামতিৰ বাবে অংশ বিশেষে নিবিদা লৈ কাম আবন্টন কৰাৰ ব্যৱস্থা কৰা হৈছে ।
৬ (ছয়) মাহৰ ভিতৰত মেৰামতি আৰু ডেৰ বছৰৰ ভিতৰত পুনৰ নিৰ্মানৰ কাম সম্পূৰ্ণ কৰা হব ।
উক্তপথৰ দলং সমূহৰ মেৰামতিৰ কাম ৮৫ শতাংশ সম্পূৰ্ণ হৈছে আৰু অক্টোবৰ ২০০১চনত সম্পূৰ্ণ হব ।
(গ) এই ছোৱা পথ বৰ্ডাৰ ৰোড অৰ্গেনাইজেশ্বনক দিবলৈ ভাৰত চৰকাৰে (MORT &H) জাননী জাৰি কৰিছে । এতিয়ালৈকে চমজাই দিয়া হোৱা নাই ।
(ঘ)এই পথ ছোৱা পুনৰ মেৰামতি আৰু দলং সমূহ নিৰ্মানৰ কোনো আঁচনি বৰ্ত্তমান নাই।

শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ- অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটোৰ মাজৰ পৰা (ঙ) অংশটো চকুৰাখনাৰ পৰা

* Speech not corrected

মাছ খোৱাহে বাটামাৰী বাপাৰাম পথ এই অংশটো নাইকীয়া হল মোৰ বিনা অনুমতিত এইটো হবলৈ পালে ?

মাননীয় অধ্যক্ষ ঃ- মই এইটো চাম ।

শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ- অধ্যক্ষ মহোদয়, ইতিমধ্যে ৬০.২৭ লাখ টকা দিয়াৰ কথা কৈছে আৰু কৈছে যে ৮৫ শতাংশ কাম সম্পূৰ্ণ হৈছে । ঘিলামাৰা বুটিকোৰ এই ৰাস্তা টো ৫২ নং ৰাষ্ট্ৰীয পথত পৰে । শতকৰা ৮৫ ভাগ কাম সম্পূৰ্ণ হোৱা বুলি বিষয়াই ভূল তথ্য দিছে । অধ্যক্ষ মহোদয়ে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ এতিয়া ধেমাজীত বানপানী হৈ আছে, আপুনি ধেমাজীলৈ গৈ নিজ চকুৰে চাই আহক কিমান শতাংশ কাম হৈছে । যি সকল বিষয়াই ভূল তথ্য দিছে সেই সকলৰ বিৰুদ্ধে ব্যৱস্থা লওক আৰু লগে লগে বৰ্ডাৰ ৰ'দ অৰগেনাইজেশ্যনক চমজাই দিবলৈ ভাৰত চৰকাৰে জাননী জাৰি কৰাৰ কথা কৈছে, কিন্তু এতিয়াও চমজাই দিয়া নাই বুলি মন্ত্ৰী মহোদয়ে কৈছে । মই সুধিব খুজিছোঁ যে ভৱিষ্যতে চমজাই দিয়া হব নে কি ? আৰু মোৰ দ্বিতীয় প্ৰশ্নটো হৈছে ঘিলামাৰা বুটিকোৰ হৈ যিটো পথ সম্পূৰ্ণ বন্ধহৈ আছে সেই ৰাস্তাটো সোনকালে কৰাৰ কাৰণে ব্যৱস্থা কৰিব লাগে।

*শ্ৰী শৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) ঃ- অধ্যক্ষ মহোদয়, ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথৰ ধেমাজী জিলাৰ চামৰাজানৰ পুণৰ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় স্থল পৰিবহন বিভাগে (এম ও আৰ টি এন্ড এইচ ৩৯৪.৪৩০ কিলো মিটাৰৰ পৰা ৪০১.০৫০ কিলো মিটাৰলৈ (৩৯৯.৭৩০ ৰ বাদে ) যোৱা জুলাই ২০০১ত ১২০১৪ । ৭৪ ।০১ । এ এচ এন এইচ - ১০ চিঠি যোগে ২৬১.৬৮ লাখ টকাৰ আবন্টন দিছে । উক্ত আবন্টন সাপেক্ষে ইতিমধ্যে নিবিদা গ্ৰহন কৰা হৈছে । উক্ত পথ চোৱাৰ ২৭০ ।১ (ক) কাঠৰ দলং খনৰ নিৰ্মাণৰ কাম চলি আছে আৰু ২০০১চনত সম্পূৰ্ণ হব। আচলতে এন এইচ ডবলিওৰ ৰাস্তা বিলাক প্ৰতি চাৰি বছৰে , চাৰি বছৰে মেৰামতি হব লাগে ইতিমধ্যে ধেমাজী চামৰাজানৰ পুণৰ নিৰ্মাণৰ বাবে ১২ জন ঠিকাদাৰৰ পৰা নিবিদালৈ কাৰীকৰী নিৰীক্ষণ কৰি থকা হৈছে আৰু অতি সোনকালেই পুন ৰ নিৰ্মাণৰ কাম আৰম্ভ হব। আমাৰ যি চাৰিটা ডিভিজনৰ কথা কৈছে মাননীয় সদস্য দীলিপ শইকীয়া ডাঙৰীয়াই সেই কেইটা কেন্দ্ৰীয় চৰকাৰৰ পুজি আবন্টনৰ ওপৰতহে ৰাষ্টীয় ঘাই পথৰ কাম-কাজ কৰা হব।

শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ-মাননীয় অধ্যক্ষ মহোদয়, মোৰ ধেমাজি জিলাৰ বান পানী হোৱা ৰাস্তাৰ

* Speech not corrected

ক্ষয় খতিৰ বাবে অৰুনাচলৰ গাড়ী আমাৰ ধেমাজি জিলাৰ মাজেৰে পাৰ হওঁতে ১০০.০০ টকাৰ পৰা ২০০.০০ টকা পৰ্য্যন্ত লয়। তাত এতিয়া লৈকে বিলিফো দিয়া নাই । মানুহ খিনিৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। আপোনালোকৰ গড়কাপ্তানী বিভাগৰ মানুহ গৈ পৰিদৰ্শন কৰি আহিব। আনকি তাত আমাৰ বহু নিবনুৱা লৰাই নিজে বাহৰ সাকোঁ দি জীৱিকা নিৰ্বাহ কৰি আছে ঘিলামাৰা ডিভিজনৰ যিজন বিষয়া আছিল তেওঁকো খেদি পঠোৱা হৈছে। আপোনালোকে কামৰ মানুহক খেদি পঠায়। মোৰ অনুৰোধ মাননীয় মন্ত্ৰী মহোদয়ে পুনৰ বৰ্দাৰ ৰোডচৰ বিভাগটোক পুনৰ এন এইচ ডিভিজনলৈ ঘুৰাই অনাৰ ব্যৱস্থা কৰিব লাগে ।

*শ্ৰী শৰৎ বৰকটকী (মন্ত্ৰী) ঃ-মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কৈছে যেতিয়া মই নিজে বিভাগীয় বিষয়া সকলক লৈ গৈ পৰিদৰ্শন কৰি ব্যৱস্থা হাতত লম। যদিহে বিভাগে ভুল তথ্য দিয়ে তেনেহলে সেই বিষয়ে মই নিজে বিহিত ব্যৱস্থা গ্ৰহন কৰিম ।

*শ্ৰী প্ৰেমধৰ বৰা ঃ-মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনৰ ওপৰত মই একমত যে বাইহাটা চাৰিআলিৰ পৰা জোনাইলৈ এই সুদীৰ্ঘ বাটচোৰা ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথটোৰ কথা মাননীয় সদস্যজনে কৈছে। তেখেতে কৈছে যে এই চাৰিটা ডিভিজনৰ কাৰনে আন্দোলন হৈছে। এই চাৰিটা ডিভিজনৰ কামকৰি থকা প্ৰায় ৯০০ কৰ্ম্মচাৰী আমাৰ নিজা মানুহ গতিকে তেওঁলোকে আজি চাকৰিৰ কাৰণে ভৱিষ্যত নিৰাপত্তাৰ কাৰণে আন্দোলন কৰিব লগা হৈছে। সেই কৰ্ম্মচাৰী খিনিৰ অৱস্থা আজি কি হব. আজিৰ সদনে এটা সৰ্ব্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহন কৰিব বোৰ্ডাৰ ৰোডচৰ কামখিনি পুনৰ অসম চৰকাৰলৈ ঘুৰাই অনাৰ ব্যৱস্থা গ্ৰহন কৰিব লাগে।

শ্ৰী ৰিপুন বৰা ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনৰ ওপৰত মই একমত যে উক্ত পথচোৰাৰ এটা অংশ মোৰ সমষ্টিটো পৰে । তাত আগতে এজন বাৰ্মা নামৰ ঠিকাদাৰ এজনক কাম কৰিবলৈ দিয়া হৈছিল, কিন্তু এতিয়ালৈকে ১১ কি:মি: ৰাস্টাৰ কাম এতিয়ালৈকে হোৱা নাই। জানিব পৰামতে বিভাগীয় কিবা খেলিমেলিৰ কাৰনে উচ্চ ন্যায়ালয়ে কামটো বন্ধ কৰিছে বুলি আমি গম পাইছো । যদি বিভাগীয় কিবা খেলি মেলি আছে তেন্তে তেওঁৰ পৰা কামটো কাটি আনি অন্য এজন ঠিকাদাৰক দিয়াৰ ব্যৱস্থা গ্ৰহন কৰিব লাগে । মাননীয় অধ্যক্ষ মহোদয় আজি প্ৰায় ১০ বছৰ ধৰি বালিজানৰ পৰা ১ কি:মি: ৰাস্তা১০ বছৰ ধৰি মেৰামতিৰ অভাবত পৰি আছে, গতিকে উক্ত কামখিনি অতি সোনকালে কৰাৰ ব্যৱস্থা গ্ৰহন কৰিবৰ বাবে মই আজি বিভাগীয় মন্ত্ৰী মহোদয়ক টানি অনুৰোধ

* Speech not corrected

জনালোঁ। ইতিমধ্যে টেণ্ডাৰ হোৱা বুলি জানিব পাৰিছোঁ আৰু অক্তোবৰ মাহৰ পৰা কাম আৰম্ভ হ'ব বুলি গম পোৱা গৈছে। আনহাতে ডুবিয়া, কলাবাৰী, গহপুৰ ৰাস্তাৰ কামখিনি অতি সোনকালে কৰাৰ ব্যৱস্থা গ্ৰহন কৰিবৰ বাবে মই আজি বিভাগীয় মন্ত্ৰী মহোদয় অনুৰোধ জনালো। শেষত আমাৰ মাননীয় জেষ্ঠ সদস্য শ্ৰী প্ৰেমধৰ বৰা ডাঙৰীয়াৰ লগত একমত হৈ কওঁ যে এই সদনত সৰ্ব্বসন্মতি ক্ৰমে এটা সিদ্ধান্ত গ্ৰহন কৰি বোৰ্ডৰ ৰোদচৰ কামখিনি পুনৰ অসম চৰকাৰৰ হাতলৈ ঘুৰাই অনাৰ ব্যৱস্থা গ্ৰহন কৰিব বুলি আশা কৰিলোঁ।

## Sub: Indo- Bangladesh Border Road .

Shri Jamal Uddin Ahmed asked.

*26.Will the Minister of P.W.D. be pleased to state :

(a) Is it true that Indo-Bangladesh Border Roads including their link roads feeder roads are to be handed over to C.P.W.D.after completion of these roads ?
(b) If so, the reasons of hand over ?
(c) How the Existing vacancies of IV Grade will be filled up after handing over to C.P.W.D. ?
(d) Whether Government will revise this policy and hand over the maintenance work to state P.W.D .which will help the local youths for their employment ?
(e) How much portion of roads have already been handed over to C.P.W.D .in the district of Karimganj, Cachar, Dhubri, and Goalpara Sector in Assam Bangladesh Border ?

Shri Sarat Borkotoky(Minister P.W.D.) replied :

(a) Yes.
(b) As per decision of the High Level Empowred Committee constituted by the Ministry of Home Affairs,Govt.of India.

* Speech not corrected

(c)Grade IV employees will be redeployed against other works after handing over Indo-Bangladesh Border Roads to Central Public Works Department.

(d) Not at present.

(e) As on 31st August 2001 the following length of Roads, fence and link road handed over in the District given below :

| | | |
|---|---|---|
| Dhubri District : | IBB Road | = 69,620 km. |
| | Bridge | = 31 Nos. |
| | Fence | = 74.498 km. |
| | Link Road | = 6.892 km. |
| Karimganj District: | IBB Road | = Nil |
| | Bridge | = Nil |
| | Fence | = 25.041 km. |
| | Link Road | = Nil |
| Cachar District : | IBB Road | = Nil |
| | Bridge | = Nil |
| | Fence | = 5.940 km. |

শ্রীজামাল উদ্দিন আহমেদ ঃ- মাননীয আধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে উত্তর দিয়ে যে হাইলেভেল এমপাওয়ার্ড কমিটির সিদ্ধান্ত অনুযায়ী আই বি বি রোডস ইনক্লুডিং লিংৰোডস, ফিডার, রোডস সি পি ডাব্লিও ডি তে হস্থান্তর করা হয়েছে। এই সিদ্ধান্ত নেবার সময় এই কমিটিতে কি আমাদের কোন সদস্য ছিলেন না ? যদি ছিলেন - তবে তিনি কেন এই ব্যাপারে বাধা দেন নাই ? এতে কি আসামেব স্থানীয় বেকার সমস্যা বাড়বে না ? এছাড়া, সি প্রশ্নের বলেছেন যে গ্রেড ফোর অর্থাৎ মাস্টার রোল কমীদেরকে অন্য কাজে নিয়োগ করা হবে। কি ধরনের কাজ এই কমীদেরকে দেওয়া হবে এবং কাজের সর্তাবলী কি থাকবে - মন্ত্রী মহোদয়ে জানাবেন কি ? এছাড়া, গ্ৰেড ফোর বা মাস্টার রোল' এ আমাদেব. কত জন স্টাফ আছে ? বিশেষ কবে. কাছার, করিমগঞ্জ এবং ধুবরী জেলায়। এমনি তেই আমাদের আসাম মাস্টার রোল'র কর্মচারী সীমাতিরিক্ত এবং সরকার সময়মতে তার বেতন দিতে পারেন না। লক্ষ লক্ষ টাকা বকেয়া

বেতন বাকী আছে সরকারের কাছে।

মাননীয় অধ্যক্ষ ঃ- একটু শুটিকরুন।

শ্রী জামালউদ্দিন আহমেদ ঃ- সেই জন্য নতুন করে সেই সকল কর্মীদেরকে যদি নিযুক্তি দেওয়া হয় তবে তাদেরকে আমার আসাম চরকারের কি ভাবে বেতন দেবে - সে কথা মন্ত্রী মহদয় জানবেন কি?

*Shri Sarat Borkotoky, (Minister, P.W.D): Hon'ble Speaker, Sir the total length of IBB road in the North Bank of Dhubri district from BP No. 1001 to BP No.1031/15- s is 45.795 KM out of which 42.154 KM is completed in all respects and handed over to the Executive Engineer, CPWD Cooch Bihar Division on 30.12.99 and the balance 3.641 KM will be handed over as soon as completed .

The total length of 6 (six) Nos. of link road in North Bank is 2.708 KM out of which 5 nos. of link road of length 2.122 KM completed and handed over to the EF, CPWD, Cooch Bihar Division on 30.12.99. The work of 1 No. of lind road of length 0.586 KM is in progress and 0.120 KM com pleted so far. This link road will also be handed over to the CPWD after completion.

<u>South Bank of Dhubri Division</u>

The total length of IBB road in the south bank of Dhubri destrict from BP No. 1033 to BP No. 1071/3-S is 27.466 KM. and completed in all respects and ganded over to the EE, CPWD, Tura on 23.12.98

The total length of 12 Nos .of link roads in south bank of

Dhubri District is 7.966 KM out of which 9 Nos. of link roads of length 4,072 KM is completed in all respects and handed over to CPWD, Tura on 30.12.98. Two Nos. of major bridges on link roads are in progress and will be completed soon and will be handed over to the CPWD after completion alongwith the balance 3 Nos. of link roads.

Karimganj Destrict

The remaining portion of IBB road of Karimganj district will be processed for handing over to CPWD after completion of the same within the current financial year.

Cachar District

In Cachar District 5.946 KM fence work has been com pleted and handed over to the BSF authority.

In Karimganj district 25,041 KM of fence work completed and handed over to the BSF authority.

Grade IV employees will be redeployed against other works after handeng over Indo- Bangladesh Border Road to Central Public works Department.

মাননীয় অধ্যক্ষ মহোদয় , চতুৰ্থ শ্ৰেণীৰ যিখিনি কৰ্মচাৰী আছিল তেওঁলোকক সদ্যহতে অন্যান্য বিভাগত দিয়াৰ ব্যৱস্থা কৰা হৈছে আৰু যেতিয়া ব'ৰ্ডাৰৰ কাম আৰম্ভ হ'ব তেঁওলোকক পুনৰ ব'ৰ্ডাৰৰ কামত নিয়োজিত কৰা হ'ব।

* শ্ৰী মিশ্বন ৰঞ্জন দাস ঃ- মাননীয় অধ্যক্ষ মহোদয় , মই মাননীয় মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে মোৰ সমষ্টি কৰিমগঞ্জত থকা ইণ্ডিয়া বাংলাদেশ বৰ্ডাৰৰ কামখিনি কেতিয়ালৈ আৰম্ভ কৰা হ'ব? অধ্যক্ষ মহোদয়ে ,মই মাননীয় মন্ত্ৰী মহোদয়ক এইখিনি লিংক ৰ'ড হিচাপে কৰাৰ বাবে অনুৰোধ জনালো।

* শ্ৰী শৰৎ বৰকটকী (মন্ত্ৰী) ঃ-মাননীয় অধ্যক্ষ মহোদয়, আজি দুদিনমান আগতে ভাৰত চৰকাৰৰ লগত এই সম্পৰ্কে আলোচনা হৈছে । ভাৰত চৰকাৰে টকা মঞ্জুৰি দিয়াৰ পিছত আমি কাম আৰম্ভ কৰিব পাৰিম।

---

* Speech not corrected

*শ্ৰী সৰ্ববানন্দ সোণোৱাল ঃ- মাননীয় অধ্যক্ষ মহোদয়, গড়াকাপ্তানি বিভাগৰ ওপৰত আমাৰ কেইটামান প্ৰশ্ন সুধিব লগা আছে । অধ্যক্ষ মহোদয়, গড়কাপ্তানি বিভাগে ৰাস্তা নিৰ্মান কৰাৰ ক্ষেত্ৰত বিভিন্ন কাৰ্য, সূচী লয় য়দিও সেইখিনি যে সময় মতে কৰিব নোৱাৰে তাক সকলোৱে জানে অধ্যক্ষ মহোদয়, অসম চুক্তিত থকা ইণ্ডো বাংলাদেশ বৰ্ডাৰৰ কাম যিধৰণে আগবাঢ়িব লাগিছিল, ঠিক সেই ধৰণে আগবঢ়া নাই । সেয়েহে আমি এটা শক্তিশালী সিদ্ধান্ত লৈ ইণ্ডো বাংলাদেশ বৰ্ডাৰৰ কাম যাতে এবছৰৰ ভিতৰত সম্পূৰ্ণ কৰিব পাৰো তাৰ ব্যৱস্থা গ্ৰহন কৰিব লাগে। অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে যি ২০০৭ চন সময় সীমা দিছে সেইটো সময় সীমা কেতিয়াও হ'ব নোৱাৰে ।

*শ্ৰী শৰৎ বৰকটকী (মন্ত্ৰী) ঃ-মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে দুদিনমান আগতে আমাৰ ভাৰত চৰকাৰৰ লগত আলোচনা হৈছে আৰু ভৰত চৰকাৰে টকা মঞ্জুৰী দিয়াৰ লগে লগে আমি কাম আৰম্ভ কৰিম ।

## বিষয়ঃ- জলসিঞ্চন আচনি ঃ

শ্ৰী চন্দন কুমাৰ সৰকাৰে সুধিছে ঃ-

*২৭ । মাননীয় জনসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বঙাইগাওঁ জিলাত কিমানটা জলসিঞ্চন আচঁনি আধৰুৱা হৈ আছে আৰু কিমানটা চালু হৈ আছে ?

(খ) অসমৰ কৃষক সকলৰ উন্নতিৰ বাবে জলসিঞ্চনৰ কি কি ব্যৱস্থা চৰকাৰে হাতত লৈছে?

*শ্ৰী ইচমাইল হুছেইন(জলসিঞ্চন বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) বঙাইগাওঁ জিলাত ২৬ টা ক্ষুদ্ৰ আৰু ১ টা (আংশিক) বৃহৎ (চম্পামতী ) জলসিঞ্চন আঁচনি আধৰুৱা হৈ আছে আৰু ২২ টা ক্ষুদ্ৰ জলসিঞ্চন আচঁনি চালু হৈ আছে ।

(খ) বিভাগীয় বিত্তীয় সংকটৰ বাবে আধৰুৱা হৈ থকা আঁচনি সমূহ কেন্দ্ৰীয় সাহাৰ্য্য ,বিভিন্ন বেংকৰ ঋণৰ সাহায্য সম্পূৰ্ন কৰিবৰ বাবে ব্যৱস্থা হাতত লোৱা হৈছে । তদুপৰি পৰৱৰ্ত্তী কালত সম্পূৰ্ণ হৈ উঠিবলগা আচঁনিবোৰ চালু ৰখাৰ বাবে কৃষক সকললৈ পানী উপভোক্তা সংস্থা গঠন কৰা হৈছে ।

---

* Speech not corrected

*শ্ৰী চন্দন চৰকাৰ ঃ- অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে বঙ্গাই গাওঁ জিলাত ২৬ টা ক্ষুদ্ৰ আৰু ১ টা (আংশিক ) বৃহৎ (চম্পামতী) জলসিঞ্চন আচনি আধৰুৱা হৈ আছে আৰু ২২ টা ক্ষুদ্ৰ জলসিঞ্চন আঁচনি চালুহৈ আছে বুলি কৈছে । অধ্যক্ষ মহোদয়ে ,মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰ সচা নহয়। গতিকে মাননীয় অধ্যক্ষ মহোদয়, এইটোৰ তদন্তৰ ব্যৱস্থা কৰিব নেকি?

*শ্ৰী ইচমাইল হুছেইন, (মন্ত্ৰী ) ঃ- মাননীয় অধ্যক্ষ মহোদয়, যদি উত্তৰ সচা নহয় তেন্তে মাননীয় সদস্য জনৰ প্ৰশ্নটোও সচা নহয় ।

(সদনত হাঁহিৰ ৰোল)

*শ্ৰী চন্দন কুমাৰ চৰকাৰ ঃ-মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে বিভিন্ন আচনি লোৱা বুলি কৈছে , কিন্তু কি আচনি লৈছে জনাবনে ? অসমৰ কৃষক সকলৰ উন্নতিৰ বাবে পানী উপভোক্তা সংস্থা গঠন কৰা বুলি কৈছে । মাননীয় অধ্যক্ষ মহোদয়ে , মই মাননীয় মন্ত্ৰী মহোদয়ৰ গৰা এই পানী উপভোক্তা সংস্থা কি জানিব বিচাৰিছো ।

*শ্ৰী ইচমাইল হুছেইন, (মন্ত্ৰী ) ঃ- মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ মোৰ হাতত আছে । কিন্তু এতিয়া সময় নোহোৱা হেতুকে মই গোটেইখিনি কব নোৱাৰিম। মাত্ৰ মই এইখিনিকে কওঁ যে আমাৰ চৰকাৰে নতুন বহুতো স্কীম লোৱা হৈছে ।

*শ্ৰী আলি আকবৰ মিঞাঃ- মাননীয় অধ্যক্ষ মহোদয়,পইন্ট অৱ অৰ্ডাৰ, আমাৰ সদনখন হৈছে ৰাজহুৱা স্বাৰ্থ ৰক্ষাৰ স্বাৰ্থত কথা কোৱাৰ একমাত্ৰ স্থল ।এই পবিত্ৰ সদনত ৰাজহুৱা স্বাৰ্থৰ হকে যি বিলাক প্ৰশ্ন কৰা হয়, সেই প্ৰশ্ন বিলাকৰ সঠিক উত্তৰ আমি সদনত নাপাওঁ।

কেতিয়াবা কেতিয়াবা প্ৰশ্ন বিলাক ডেফাৰ কৰা হয় । বিভাগীয় সচিবালয়বোৰ বিধান সভাৰ ইমান ওচৰতে থাকোতে কিয় প্ৰশ্ন বিলাক ডেফাৰ কৰিব লগা হয় । কেতিয়াবা আকৌ সঠিক উত্তৰ দিয়া নহয় ।কিছুমান প্ৰশ্নৰ উত্তৰ সচিবালয়ত মজুত থকাতো উত্তৰ নিদি প্ৰশ্ন টো ডেফাৰ কৰা হয় ।এই পবিত্ৰ সদনৰ মান মৰ্য্যাদা আছে । আমাৰ প্ৰশ্ন বিলাকৰ সঠিক উত্তৰ নিদি দেখ - দেখ কৈ অন্য উত্তৰ দিয়ে ।ইয়াৰ কাৰন কি ?

শ্ৰী ৰকিবুল হুচেইন ঃ- মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা প্ৰশ্নৰ উত্তৰ এইবাৰেই হৈছে নে ? আৰু সদনৰ মান-মৰ্য্যাদাৰ এইয়ে প্ৰথম নে ? অধ্যক্ষ মহোদয়, মই আপোনাৰ মন্ত্ৰী সকলক কৈছো ইয়াত অন্য সদস্যই বাধা দিয়া উচিত হোৱা নাই ।

---

* Speech not corrected

(Starred Question No.28 to 40 could not be taken up as the Question Hour was over .However, the replies of the said Questions were laid on the table of the House )

## Re: Erosion of Jia-Bharali River.

Shri Bhima Tanti asked

* 28. Will the Minister of Soil Conservation be pleased to state :

(a) Whether the Govt. is aware of the fact that every year erosion is caused by the Jia -Bharali River?

(b) If so , what steps the Govt. has proposed to take to stop the erosion ?

Shri Ismail Hussain (Minister, Soil Conservation Department, replied :

(a) yes.

(b) The Department of Soil Conservation is preparing a project proposal to control erosion by the Jia-Bharali River under the Govt. of India's Flood Prone River Project (FPR).

## বিষয় ঃ-স্বাস্থ্য কেন্দ্ৰৰ মূল গৃহ।

শ্ৰী খলিলুৰ ৰহমান চৌধুৰীয়ে সুধিছে ঃ

*২৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যমুনামুখ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মূল গৃহৰ নিৰ্মানৰ কম ইতিপূৰ্বে সম্পূৰ্ণ হোৱাটো সচানে?

(খ) যদি সচাঁ, উক্ত গৃহটো স্বাস্থ্য বিভাগক হস্তান্তৰ নকৰাৰ কাৰন কি ?

শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সঁচা, বিজুলী সৰবৰাহৰ বাহিৰে বাকী কাম সম্পূৰ্ণ হৈছে।

(খ)বিজুলী সৰবৰাহৰ কাম সম্পূৰ্ণ নোহোৱাৰ কাৰনে স্বাস্থ্য বিভাগক হস্তান্তৰ কৰা নাই ।

## বিষয়ঃ- পকীৰাস্তা নিৰ্মাণ ।

শ্ৰী প্ৰণব কলিতাই সুধিছে ঃ

*৩০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে ,অনুগ্ৰহ কৰি জনাবনে ঃ

বৰ্ত্তমান চৰকাৰৰ দিনত অসমত কিমান কিলোমিটাৰ ৰাস্তা পকী কৰা হ'ল বা পকীকৰনৰ বাবে লোৱা হৈছে?

শ্ৰী শৰৎ বৰকটকী ( গৰ কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

বৰ্ত্তমান চৰকাৰৰ দিনত অসমত ৫৪.১৬ কিলোমিটাৰ ৰাস্তা পকী কৰা হ'ল আৰু ১৬১০.৯৮৭ কিলোমিটাৰ ৰাস্তা পকীকৰনৰ বাবে প্ৰাক্কলন তৈয়াৰ কৰা হৈছে ।

## বিষয় ঃ- বানপানীত ক্ষতিগ্ৰস্ত দলং ।

ড: নজৰুল ইছলামে সুধিছে ঃ

*৩১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চনৰ পৰাই বৰ্তমানলৈকে লাহৰি ঘাট বিধানসভা সমষ্টিৰ কিমান খন দলং বানপানীয়ে উটুৱাই নিছে ?

(খ) উক্ত দলং কেইখন পুনৰ নিৰ্মানৰ কাৰনে চৰকাৰৰ তৰফৰ পৰা কিবা ব্যৱস্থা লোৱা হৈছেনে?

শ্ৰী শৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১ চনৰ পৰা বৰ্ত্তমানলৈকে লাহৰীঘাট বিধান সভা সমষ্টিৰ অন্তৰগত বানপানীয়ে উটুৱাই নিয়া দলঙৰ সংখ্যা হল ১০ (দহ) খন।

(খ) উক্ত ১০ (দহ) খন কাঠৰ দলঙৰ ভিতৰত ২ (দুই) খন দলঙৰ পুনৰ নিৰ্মানণৰ কাম সম্পূৰ্ণ কৰা হৈছে।বাকী থকা দলং কেইখনৰ ভিতৰত ৪ (চাৰি) খন দলং ইতিমধ্যে এই বছৰ ( ২০০১-২০০২) দুৰ্যোগ সাহায্য পুজিৰ অন্তৰগত কৰি পুনৰ নিৰ্মানৰ বাবে প্ৰাক্কলন প্ৰস্তুত কৰি অনুমোদনৰ বাবে মৰিগাও জিলাৰ উপায়ুক্ত মহোদয়লৈ প্ৰেৰন কৰা হৈছে ।

## Re : R.C.C.Bridge

Shri Bimolangshu Roy, asked,

*32. Will the Minister of P.W.D.be pleased to state:

(a) Where the Government is aware that R.C.C.bridge over river Barak on Jowai-Badarpur Road at Katigorah has been damaged and just near by a Railway -bridge over the River Barak is sougt to be construeted by the Railways in connection with gauge convrsion in Lumding Badarpur Railway line?

(b) If so, has the Government made any request to the Railway authority for making the aforesaid bridge as Railway cum- Road bridge ? If not, will the Government save urgently?

(c) If the event of disagreement by the Railways will the Government make a request to the Railways for handing over the existing Iron bridges likely to be abandoned to the state Government to be utilised for construction of Road Bridge in place of damaged bridge in existance?

(d) If so ,when ? If not why ?

Shri Sarat Borkotoky (P.W.D. Minister) replied :

(a) The existing R.C.C. Bridge over River Barak on Jowai-Badarpur Road has been in destressed condition due to certain disorder in superstructure members which are now under rectification. This Department is not aware of the proposal of the Railway authority for construction of a Railway Bridge nearby and its location.

(b) Does not arise .

(c) The matter relating to handing over the Railway bridge to this Department if abandoned by the Railway authority has bot been considered.Because the Road bridge under repair is likely to be completed in June 2002.

(d) As stated in (c).

## বিষয়ঃ- ঋন অনুমোদন।

শ্ৰী আলি আকবৰ মিঞাই সুধিছে ঃ

*৩৩। মননীয় সংখ্যালঘু কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) সংখ্যালঘু কল্যাণ ও বিত্তীয় নিগমে ১৯৯৬-২০০১ ইংলৈ কিমানজন নিবনুৱাক কি কি আচনিৰ বিপৰীতে কিমান কিমান টকাৰ ঋন আগবঢ়াইছে (নিবনুৱাৰ বিপৰীতে আঁচনিৰ নাম,ঋনৰ পৰিমান,গেৰান্টাৰৰ নাম ও পদবী জিলা ভিত্তিক তালিকা প্ৰস্তুত কৰি তথ্য সদনৰ মেজত দাখিল কৰিব)?

(খ) এই ঋন প্ৰপ্তিৰ ক্ষেত্ৰত বিভগটোৰ বিষয়া, কৰ্মচাৰীক উপঢৌকন নিদিয়া সকলে ঋন পোৱা নাই -এনে বহুত অভিযোগ আছে, সচাঁনে ?

(গ) যদি সচাঁ,তেন্তে তেনে অভিযোগৰ বিপৰীতে কি ব্যৱস্থা গ্ৰহন কৰা হৈছে ?

শ্ৰী ইছমাইল হুছেইন(সংখ্যালঘু কল্যান আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমানে চৰকাৰৰ হাতত জিলা ভিত্তিত খাটাং তথ্য মজুত নথকাৰ কাৰনে বিভিন্ন আঁচনিৰ বিপৰীতে সম্পূৰ্ণ বিতং তথ্য বিচৰা হৈছে আৰু তথ্য আহি পোৱাৰ পিছত সদনৰ মজিয়াত দাখিল কৰা হব ?

(খ) প্ৰশ্ন নুঠে ।

(গ) প্ৰশ্ন নুঠে ।

## বিষয় ঃ- R.C.C দলং

(d) Is it true that orstwhile Government took a policy decision (congress Government) that Muster Roll Workers who had engaged prior to 01-04-93 will be regularised?

(e) Is it true that Muster Roll Worker who had completed 15 years of service will be brought under regular Gr. IV time Scale?

(f) If ycs, how many of them to get regular time scale benefit as Gr. IV similar to other State Government employee? (Please state their names).

(g) When the arrear dues with effect from 1.8.91 to 29.2.96 will be given to the Muster Roll Workers and the reason for non-payment of their arrear wages?

(h) Is it true 6 (six) Nos. of Muster Roll Workers have died after completion of 15 years of service and did not get their DCRG?

(i) If yes, whether D.C.R.G & other benefit will be given to their families?

**Shri Ismail Hussain (Minister Irrigation) replied :**

(a) There are 129 Nos. of Muster Roll Workers working under Karimganj.

(b) None of them have been regularised up to this date.

(c) For want of sanctioned post and adequate fund in proper Head of Account.

(d) Yes, subject to the availability of sanctioned post.

(e) Yes, subject to availability of fund under departmental budget and sanctioned post.

(f) None up till now.

(g) The matter is under scrutiny and consideration in the finance as well as Irrigation Deptt.

(h) Yes, 6 (six) Nos. of Muster Roll Workers died. As there is no provision to grant D.C.R.G to Muster Roll Workers in Assam service (Pension Rule 1969, so question of getting D.C.R.G. does not arise.)

(i) There is no provision to grant D.C.R.G to Muster Roll Workers or their families along with other benefits.

## Re : P.W.D. Roads

**Shri Bhima Tanti, asked :**

95. Will the Minister of P.WD be pleased to state:

(a) Whether the government has taken steps to repair the P.W.D. Roads under NABARD?

(b) If so, when the works will be started?

(c) How many P.W.D. Roads have been undertaken under such Schemes in Rangapara L.A.C. and which are the roads?

**Shri Sarat Barkotoky (Minister, PWD Assam) replied :**

(a) No.

(b) Does not arise.

(c) No road has been under-taken under NABARD in Rangapara L.A.C.

## Re : DRAINAGE SCHEME

**Sri Bimalangshu Roy asked :**

**96. Will the Minister of Town & Country Planning be pleased to state:-**

(a) Has the Government sent any proposal to Urban Development Ministry, New Delhi for a Master Drainage Scheme of Silchar Town?

(b) If so, what is the status report of the scheme?

(c) Will the Government persue the matter with centre?

**Sri Sarat Barkotoky (Minister, Town & Country Planning) replied :**

(a) Yes.

(b) Yet to be sanctioned by Govt. of India.

(c) Yes.

## বিষয় ঃ- বিষয়া কৰ্মচাৰীৰ নিলম্বিত কৰণ

**শ্ৰী আলী আকবৰ মিঞাই সুধিছে :**

৯৭/ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯১-২০০১ ইংৰ যে মাহলৈকে গড়কাপ্তানী বিভাগৰ কোনকোন বিষয়া কৰ্মচাৰীক বিভিন্ন দোষত চাকৰীৰ পৰা নিলম্বিত/বৰ্খাস্ত কৰা হৈছে (নিলম্বিত/বৰ্খাস্তকৰণৰ কাৰণ, তাৰিখ 'প্ৰচিডিংছ ড্ৰ' কৰাৰ তাৰিখ আদি উল্লেখ কৰি ডিভিজন আকাৰে তালিকা বনাই তথ্য সদনৰ মেজত দাখিল কৰিব)?

(খ) যোৱা ২৩/২/২০০১ ইংৰ তৰা বিহীন প্ৰশ্ন নং ২১৪ উত্তৰৰ আধাৰত বিভাগীয় ভাৱে কি কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

(গ) উক্ত প্ৰশ্নৰ (খ) অংশৰ উত্তৰত উল্লেখ কৰা মতে কাম নকৰি বিলৰ টকা লোৱা ঠিকাদাৰৰ পৰা টকা ঘূৰাই লোৱা বাবে উদ্যোগ হাতত লোৱা হৈছে আৰু এই প্ৰসঙ্গৰ বিষয়া আৰু ঠিকাদাৰৰ বিৰুদ্ধে পুলিচ কেচ তৰা হৈছেনে?

(ঘ) যোৱা ৯/২/২০০১ ৰ তঁৰা চিহ্নিত প্ৰশ্ন নং ৯ৰ (খ) অংশৰ উত্তৰত উল্লেখ কৰা বিষয়া কৰ্মচাৰী কেইজনক কোন কোন তাৰিখত নিলম্বিত কৰা হ'ল আৰু কোন কোন তাৰিখত তেওঁলোকৰ বিৰুদ্ধে 'প্ৰছি ডিংছ ড্ৰ' কৰা হ'ল?

(ঙ) বিভাগীয় বিধি-নিয়ম মতে বিষয়া কৰ্মচাৰীক নিলম্বিত কৰি তাৰ বিপৰিতে কিমান দিনৰ ভিতৰত 'প্ৰছিডিংছ ড্ৰ' কৰিব লাগে?

**শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ-**

(ক) ১৯৯১- ২০০১ ইংৰাজীৰ মে মাহৰ লৈকে গড়কাপ্তনী বিভাগৰ যিসকল বিষয়া কৰ্মচাৰীক বিভিন্ন দোষত চাকৰীৰ পৰা নিলম্বিত/বৰ্খাস্ত কৰা হৈছে তাৰ কাৰণ, তাৰিখ আৰু প্ৰচিডিংছ ড্ৰ কৰাৰ তাৰিখ আদি উল্লেখ কৰি ডিভিজন আকাৰে তালিকা বনাই তথ্য সদনৰ মেজত দাখিল কৰা হৈছে।

(খ) যোৱা ২৩/২/২০০১ ইংৰাজীৰ তৰা বিহীন প্ৰশ্ন নং ২১৪ ৰ উত্তৰৰ আধাৰত বিভাগীয় বিষয়া/কৰ্মচাৰীসকলক নিলম্বিত কৰি তেখেতসকলৰ বিৰুদ্ধে প্ৰচিডিংছ ড্ৰ কৰা হৈছে।

(গ) এই প্ৰসঙ্গৰ দোষী বিষয়া আৰু ঠিকাদাৰৰ বিৰুদ্ধে পুলিচ কেচ তৰা হোৱা নাই।

(ঘ) শ্ৰীছৈয়দ মঃ আব্দুল্লাক ১৮/১২/২০০০, আৰু শ্ৰীৰমজান আলি এচ কে আৰু শ্ৰীচন্দিপ চক্ৰবৰ্তীক ২৭/১২/২০০০ আৰু শ্ৰীঅপুৰ্ব কুমাৰ ডেকাক ৩/২/২০০১ তাৰিখে নিলম্বিত কৰা হয়। তেওঁলোকৰ ভিতৰৰে শ্ৰীছৈয়দ মঃ আব্দুল্লাৰ বিৰুদ্ধে ২০/৯/২০০১ আৰু শ্ৰীৰমজান আলি এচকেৰ বিৰুদ্ধে ১৭/২/২০০১ তাৰিখত প্ৰচিডিংছ ড্ৰ কৰা হৈছে, শ্ৰী অপুৰ্ব কুমাৰ ডেকা আৰু শ্ৰী চন্দিপ চক্ৰবৰ্ত্তীৰ বিৰুদ্ধে প্ৰচিডিংছ ড্ৰ কৰা হোৱা নাই।

(ঙ) তিনিমাহৰ ভিতৰত প্ৰচিডিংছ ড্ৰ কৰিব লাগে।

## বিষয় ঃ জলসিঞ্চন আঁচনিৰ বাবে সাংসদ পুঁজিৰ ধন

**শ্ৰীদিনেশ চন্দ্ৰ সৰকাৰে সুধিছে ঃ**

৯৮/ মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ধুবুৰীৰ জলসিঞ্চন বিভাগৰ কাৰ্য্যকৰী অভিযন্তা গৰাকীয়ে ১৯৯৯-২০০০ চনৰ সাংসদ পুজিৰ পৰা কিমান ধন পাইছিল?

(খ) এই ধনেৰে কাৰ অনুমোদনেৰে কিমান জলসিঞ্চন আঁচনি কাৰ্য্যক্ষম কৰা হ'ল ?

(গ) এই ক্ষেত্ৰত বিভাগীয় কিবা নিয়ম-নীতি উলংঘন কৰাটো সঁচানে ?

(ঘ) যদি সঁচা, এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

**শ্ৰীইচমাইল হুছেইন (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ-**

(ক) মুঠ ১৫,৭৭,৩২৭.০০০ টকা পাইছিল।

(খ) এই বিষয়ে বিভাগীয় ভাবে অনুসন্ধান চলাই থকা হৈছে।

(গ) অনুসন্ধান সম্পূৰ্ণ হলে কব পৰা যাব।

(ঘ) অনুসন্ধানৰ ফলাফল অনুযায়ী বিভাগীযভাবে বিহীত ব্যৱস্থা গ্ৰহণ কৰা হব।

## বিষয় ঃ শিলাই FIS ৰ কাম

**শ্ৰীবনেন্দ্ৰ কুমাৰ মুছাহাৰীয়ে সুধিছে ঃ**

৯৯/ মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গৌৰীপুৰ সমষ্টিৰ অৰ্ন্তগত শিলাই (Silai) FIS ৰ কাম কিমান চনত আৰম্ভ কৰা হৈছিল আৰু কিহৰ কাৰণে কেতিয়াৰ পৰা কাম বন্ধ কৰি ৰখা হৈছে?

(খ) উক্ত আচঁনি সম্পূৰ্ণ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

(গ) গৌৰীপুৰ সমষ্টিৰ অন্তৰ্গত মঙ্গলাঝোৰা (Mongalajhora) FIS ৰ কামত অগ্ৰগতি জনাবনে ?

**শ্ৰী ইচমাইল হুছেইন (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৮৬ চনত বিভিন্ন আন্দোলন, বন্ধ ইত্যাদিৰ বাবে উদ্ভব হোৱা অশান্তিকৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ১৯৯৪ চনৰ শেষৰ পৰা কাম বন্ধ ৰখা হৈছে।

(খ) আচঁনিখনৰ বাকী থকা কামখিনি সম্পূৰ্ণ কৰাৰ বাবে N.L.C.P. III ত অৰ্ন্তভূক্ত কৰা হৈছে।

(গ) ইতিমধ্যে ৯৫ শতাংশ কাম সম্পূৰ্ণ হৈছে আৰু ২০০১-২০০২ চনৰ ভিতৰত ইয়াৰ বাকী কাম সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে আৰু ২০০১-২০০২ চনৰ ভিতৰত ইয়াৰ বাকী কাম সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে।

## Re : Champabati Irrigation Project

**Shri Matindra Basumatary, asked :**

**100. Will the Minister of Irrigation be pleased to state :**

(a) The total initial estimated cost Champabati Irrigation project and when it was started for construction?

(b) How much additional fund has already been alloted for the completion of the schme till to-day?

(c) Whether the project is commissioned?

(d) If not, why the reasons of not commissioning the project yet?

**Shri Ismail Hussain (Minister Irrigation) replied :**

(a) The total initial estimated cost of the Champamati Irrigation project was Rs. 1532.15 Lakhs. The work was started in the year 1981.

(b) The additional fund of Rs 3439.20 Lakhs had been alloted for completion of the project at end of 31 st March/01.

(c) The project was partially commissioned in the year 1995.

(d) The project could not be commissioned fully due to paucity of fund and disturbed situation in the project area.

**Mr. Speaker :** I have received as many as 5 Zero Hour questions raised in the name of Hon'ble Members :

1. Sri Karendra Basumatary,

2. Sri Pabindra Deka,

3. Sri Rockybul Hussain,

4. Sri Chandan Kr. Sarkar,

5. Sri Brindaban Goswami,

Sri Hitendra Nath Goswami,

Sri Gunin Hazarika,

Sri Girindra Barua

Sri Dilip Kumar Saikia,

Sri Bhupen Rai,

Sri Ali Akabar Miah,

Sri Phani Bhusan Choudhury,

Sri Sarbananda Sonowal on the subject under caption

As per rules, I have selected only 3 Zero Hour questions for raising before the House today.

I now call upon the Hon'ble Member Sri Pabindra Deka To raise his Zero Hour motion which was published in "pratidin" dtd.22.9.2001 under the Caption " "অসমলৈ ৪৬ হাজাৰ টন পচা চাউল নিষেধাজ্ঞাৰ পিচতো বিক্ৰী অব্যাহত"

*শ্ৰীপবিন্দ্ৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আজি আপোনাৰ জৰিয়তে সংশ্লিষ্ট মন্ত্ৰীক ৰাজ্যখনৰ এক ৰাজহুৱা স্বাৰ্থ জৰিত বিষয় উত্থাপন কৰিবলৈ বিচাৰিছো। যোৱা ২২ চেপ্তেম্বৰৰ তাৰিখৰ অসমীয়া প্ৰতিদিন কাকতত এটা ভয়ংকৰ বাতৰি পৰিবেশ কৰা হৈছিল। সেই বাতৰিটো কোৱা হৈছে - "বিশেষ ৰেহাই আচঁনিৰ নামত ভাৰতীয় খাদ্য নিগমৰ হঠকাৰিতা - অসমলৈ ৪৬ হেজাৰ টন পচা চাউল"।

মাননীয় অধ্যক্ষ মহোদয় যোৱা কালি এই বিষয়টোৰ ওপৰত ইয়াত আলোচনা হৈছিল। যোৱা ৬ আগষ্ট তাৰিখৰ পৰা আজিলৈকে ৰাজ্যখনত বুটমাহৰ বিষক্ৰিয়াই জন-জীৱনত অতীষ্ঠ কৰি তুলিছে। এতিয়ালৈকে কেইবাজনো ছাত্ৰৰ মৃত্যু হৈছে বাতৰিটোত এইদৰে কৈছে - ভাৰত ৰাষ্ট্ৰৰ অৱহেলা, অৱজ্ঞা আৰু শোষণৰ বিৰুদ্ধে ৰাজ্যখনৰ একাংশ যুৱকে দুহাতত অস্ত্ৰ তুলি লৈ বিদ্ৰোহ ঘোষণা কৰাৰ পিছতো গাত নলগা কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষতাত নতুন দিল্লী সহ ভাৰতীয় খাদ্য নিগমৰ প্ৰধান কাৰ্য্যলয়ে অসমক "ডাষ্টবিন" হিচাপে গণ্য কৰি পশু খাদ্যৰ বাবেও অনুপযোগী পচা আৰু নিম্নমানৰ চাউল ৰাজ্যখনলৈ প্ৰেৰণ কৰি সৰ্বসাধাৰণ দুখীয়া ৰাইজখিনিৰ জীৱনক লৈ হেতালি খেলাৰ অভিযোগ উঠিছে। বুট-মগুৰ বিষক্ৰিয়াজনিত ঘটনাই ৰাজ্যখনক আতংকত আচন্ন কৰি ৰখাৰ সহায়তে শদিয়াৰ পৰা ধুবুৰীলৈকে গাঁৱে-ভুঞে মুকলি বজাৰ আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত সুলভ মূল্যৰ দোকান বোৰত বিস্তাৰিত হৈ পৰা ভাৰতীয় খাদ্য নিগমৰ পচা চাউল অসমৰ জনগণৰ বাবে ভূতৰ ওপৰত দানহৰ লেখিয়া হৈ পৰিছে। ৰাজ্য চৰকাৰে ততকালেই মুকলি বজাৰৰ পৰা পশুৰ বাবে অখাদ্য এই পচা চাউলবোৰ জব্দ কৰাৰ জোৰদাৰ পদক্ষেপ নললে সমগ্ৰ ৰাজ্যখন অচিৰে শ্মশান ভুমিত পৰিণত হোৱাৰ আশংকা আছে। উল্লেখযোগ্য যে ভাৰতীয় খাদ্য নিগমৰ নতুন দিল্লী সহ মুখ্য কাৰ্য্যলয়ে বিশেষ ৰেহাই আচনিৰ অধীনত অসমত থকা বিভিন্ন ডিপুলৈ ৪৬ হেজাৰ মেট্ৰিক টন পচা চাউল প্ৰেৰণ কৰিছে। এই চাউল বিলাক আমাৰ ৰাজ্যৰ বিভিন্ন দুখীয়া দৰিদ্ৰ সীমা ৰেখাৰ তলৰ মানুহখিনিক যোগান ধৰা হয়। আমাৰ ৰাজ্যখনত উৎপাদন হোৱা বুটমাহ আৰু মগুমাহে গোটেই ৰাজ্যখনৰ এমাহৰ বাবেহে উৎপাদন হয়। আমাৰ এই বুট-মগু বিহাৰ, উত্তৰ প্ৰদেশ, ৰাজেস্থান আদিৰ পৰা আনিব লগা হয়। সেইদৰে চাউল আনিব লগা হয় - এতিয়া চাউলৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে। আমাৰ ৰাজ্যখনৰ ২ কোটি ৫০ লাখ মানুহৰ সেই চাউল খালে কি হ'ব। এই বিষয়টোত মই মাননীয় খাদ্য মন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিবলৈ বিচাৰিছো যে ভাৰতীয় খাদ্য নিগমৰ পৰা লোৱা এই চাউল বিলাক বিভাগৰ খাদ্য পৰিদৰ্শকৰ দ্বাৰা পৰীক্ষা কৰোৱা হৈছিলনে নাই। বুট-মগু খাই বিষক্ৰিয়াত যেনেকৈ মানুহৰ মৃত্যু হৈছে তাৰ যাতে পুণৰাবৃত্তি নহয়। মই খাদ্য মন্ত্ৰীক আৰু এটা অনুৰোধ কৰিব বিচাৰিছো যে যিসকল এই সংক্ৰান্তত জড়িত সেই বিষয়াসকলক শাস্তি বিহিৰৰ বাবে ব্যৱস্থা গ্ৰহণ

---

*Speech not corrected*

কৰিব লাগে। আৰু ভাৰতীয় খাদ্য নিগমলৈ এটা কঢ়া নিৰ্দেশ ৰাজ্য চৰকাৰৰ পৰা দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰ দিয়াৰ আগতে এটা কথা জনাবলৈ বিচাৰিছো যে - শূণ্যকালীন যি প্ৰশ্ন হয় তাৰ এটা 'কপি' বিভাগীয় মন্ত্ৰীয়ে আগতীয়াকৈ পালে উত্তৰ দিয়াত সুবিধা হয়।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্যসকলে শূণ্য কালীন যি প্ৰশ্ন উত্থাপন কৰে তাৰ এটা কপি বিভাগীয় মন্ত্ৰীক আগতীয়াকৈ দিয়াৰ ব্যৱস্থা লব।

ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এইটো কথা জানিছিলোৰে যে এনে ধৰণৰ এটা প্ৰশ্ন উত্থাপন হব - সেই বাবে মই এই বিষয়ে নথি লগত ৰাখিছিলো। মাননীয় সদস্য ডেকা ডাঙৰীয়াই যিটো কথা কৈছে সেইটো সত্য। আমাৰ যিটো চাউল অনা হৈছে সেইটো দুই বছৰ ধৰি পৰি আছে। মই তিনিচুকীয়াত থাকোতে ৪০ ৰেক চাউল আহিছিল। মই তাতেই খবৰটো পোৱাৰ পিছত তেতিয়াই সচিবক মই টেলিফোনতে জনাই দিছিলো বন্ধ কৰি দিবলৈ। ইতিমধ্যে খাদ্য নিগমলৈ এই বিষয়ে লিখিছো।

I would like to bring to your kind notice that during the month of August and September, 2001 about 19 rakes of URS rice from Punjab arrived in the State of Assam which is of very inferior quality and which were procured and stored in FCI godowns of Punjab since 1997-98. The FCI officials of Guwahati have intimated us that another 7/8 rakes of URS rice are also being despatched by the FCI Head quarter to Assam as a measure of clearing the old stock of Punjab which could not be exported due to very high price of such rice. While we recevied several complaints from the field about the quality of URS rice, we had to instruct the District authorities to collect the samples of URS rice and to get it examined in the Govt.Food Laboratory at Guwahati under the supervision of Public Analyst.

You will be shocked to learn that of 24 samples of URS rice collected from different godowns of FCI the Public Analyst has reported that the

percentage of damaged food grains were found in between 6% and 12% in 11 samples in which live and dead insects were found much in excess of the standard of norms. The public Analyst has certified that the stock of rice in those stage from which these 11 samples were collected "Do not conform" to the standards and hence as such "unfit for human consumption". As regards samples collected from the godowns of the private traders of Tinsukia District, who have alredy taken delivery of URS rice from FCI godowns, the Public Analyst examined about 83 samples out of which the percentage of grains are found in between 5% and 10% samples which indicate that the stock from which these samples collected are also unfit for human consumption. This issue has become a public issue in Assam during the last 15 days and various News papers report has blamed the State Govt. and FCI for flooding the market with inferior quality of rice which is detrimental to the health of the consumers. You will definitely appreciate the embarrassing situation which the State Govt. is now facing in Assam due to the public criticism expressed through various Memorandum submitted by different consumers/organisations and almost all the major Dailies in Assam. The Govt. of Assam at the highest level has taken serious exception to this kind of policy adopted by the Govt. of India and the FCI head office in ful-filling the gap of food grains taking adventage of the deficit status of Assam in respect of foodgrains. It is also surprising to note that the Govt. of India and FCI Head Office did not give any indication to the State of Assam at any stage during the last one half year that FCI would send such huge stock of URS rice to Assam and that too of so much inferior quality which could not be despatched to other States and which had to be transported from Punjab for making more space available in the ensuing procurement seasion. Our Govt. cannot accept such a policy imposed upon our State which is detrimental to the interest of the common pepole. We therfore strongle urge upon the Union the Government to direct

the FCI authority not to send a single truck load or wagon of URS rice to Assam from Panjab or Haryana . In any such stock is on transit the same may be diverted to other states. মই আগতে কৈছো যে অসম চৰকাৰে It is come to the notice of the Government that FCI authorities have released huge quantity of rice from different godowns to different parties for sale in different district and subdivisions of Assam.Further we have received some reports from the field Officer about massive collection of below quality of rice by FCI. It is very unfortunate that they have kept the State Govt. Completely on dark about the substandard quality of rice received by them from Haryana and Punjab. পাঞ্জাৱ হাৰিয়াণাত বহুত ষ্টক আছে। আমাৰ ইয়াত ষ্টক ৰখাৰ ঠাই নাই। আমি চেম্পল পাবলিক এনালিষ্টলৈ পৰীক্ষাৰ কাৰণে পঠাইছো। শতকৰা ৫ ভাগ ডেমেজ থাকিলে মোটামোটি ষ্টেৰ্ডাড বুলি ধৰা হয়। কিন্তু মই বাৰ পাৰ্চেন্ট ডেমেজ থাকে এনেকুৱা তিনিটা চেম্পল কালেক্ট কৰা হৈছে। These sorts of reports are very much alarming .মই আমাৰ বিভাগৰ বিষয়া আৰু FCI ৰ বিষয়া সকলকো স্পষ্ট ভাষাত কৈ দিছো যে এই ইউ - এচ- ৰাইচ আমাৰ কোনো কাৰণতেই বিক্ৰী কৰিবলৈ দিয়া নহ'ব। According to the Act. You may be put behind the bar and I will not spare if any officer is found responsible.

**শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা** ঃ- অধ্যক্ষ মহোদয়, মই যিটো কথা যোৱা কালি কৈছিলো যে এফ - চি- আইৰ পৰা যি চাউল লিফট্ নকৰে সেইটো ষ্ট্যাণ্ড হৈ বায় আৰু সেই চাউলকে সুলভ মূল্যৰ চাউল দোকানী বিলাকে সংগ্ৰহ কৰে। ইতিমধ্যে ৰাইজৰ বিভিন্ন সুলভ মূল্যৰ দোকানলৈ এই চাউল গৈছে নেকি সেইটো চোৱাৰকাৰণে মন্ত্ৰী মহোদয়ে চোৱাৰ ব্যৱস্থা কৰিবনে যাতে চাউলখিনি বিক্ৰী কৰিব নোৱাৰে।

**ডাঃ অৰ্ধেন্দু কুমাৰ দে, (যোগান মন্ত্ৰী)** ঃ- অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীক এইটো স্পষ্ট কৰি দিব বিচাৰিছো যে অসমৰ গোটেই বিলাক জিলাৰ সুলভ মূল্যৰ দোকান আনকি চাহবাগান আৰু চাহবাগনৰ কৰ্তৃপক্ষকো এই বিষয়ত অৱগত কৰাইছো। It is very serious matter, I have issued instructions to the Tea Garden Management also and clearly said to them that they will be held responsible if they distribute the URS rice.

**ডঃ জয়নাথ শৰ্মা** ঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি কথা সুন্দৰকৈ সদনত ক'লে সেইখিনি বৰ ধুনীয়া হৈছে। কিন্তু চিঠিত সেইখিনি কথা আছে নে নাই সেইটো কথা। চিঠিত সেই কথা

নাই। ডিষ্ট্ৰিক্ট মেজিষ্ট্ৰেটক কব লাগে যাতে এই চাউল বিলাক লিফট্ কৰিব নোৱাৰে।

ডাঃ অৰ্ধেন্দু কুমাৰ দে, যোগান মন্ত্ৰী ঃ- আমি ইতিমধ্যে সকলো ডি-চিকে নিৰ্দেশ দিছো।

**Mr. Speaker :** I now call upon Mr. Rafiqual Hussain to raise his zero hour notice published in the newspaper in "Assamese Pratidin" dated 26.9.2001 under the caption "একাংশ ছালফা নেতাৰ লগত মন্ত্ৰীৰ গোপন বুজাবুজি"

***শ্ৰীৰকিবুল হুচেইন ঃ-** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ইং ২৬ চেপ্তেম্বৰ তাৰিখৰ জনপ্ৰিয় অসমীয়া প্ৰতিদিন কাকতত 'একাংশ ছালফা নেতাৰে মন্ত্ৰী দপ্তৰৰ গোপন বুজা-বুজি অগপৰ মানুহক চেকগেট, পাৰ্কিং প্লেছ' প্ৰকাশিত বাতৰিটো আমাৰ দৃষ্টিগোচৰ হৈছে আৰু এই বাতৰিটো ৰাজহুৱা স্বাৰ্থৰ সৈতে জড়িত বুলি ভাবিছোঁ আৰু সেই আজি এই সদনত বিষয়টো উত্থাপন কৰি বিভাগীয় মন্ত্ৰীৰ পৰা এই বিষয়সমূহৰ স্পষ্টিকৰণ বিচাৰিছো। বৰ্ত্তমান আমাৰ চৰকাৰখনে চাৰিমাহ পূৰ্বেই জনপ্ৰিয় নেতা মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বত, "জেষ্ঠ বিধায়ক প্ৰেমধৰ বৰাদেৱে কোৱাৰ দৰে লোকপ্ৰিয় তৰুণ গগৈ", যিজনৰ ওপৰত আস্থা ৰাখি মন্ত্ৰীসভা গঠন হৈছে আৰু তেখেতক মুখ্যমন্ত্ৰী হিচাপে লৈ চৰকাৰ গঠন হৈছে, সেইজন লোকৰ দিঘলীয়া ৪০ বছৰীয়া ৰাজনৈতিক জীৱনৰ ইতিহাসত এটি নিকা ভাবমূৰ্ত্তি আছে। যিটো আজিৰ তাৰিখত এটি মুল্যবান কথা। আজি যিটো বিষয় সদনত উত্থাপন কৰিব বিচাৰিছোঁ সেইটো হ'ল পৌৰ-প্ৰশাসন মন্ত্ৰী অঞ্জন দত্তৰ বিষয়ত। এখেত দুবাৰকৈ মন্ত্ৰী হৈছে। ইয়াৰ আগৰবাৰ তেখেতে এটা নিকা ভাৱমুৰ্ত্তিৰে কাম কৰি গৈছে বুলি আমি জানো। এইবাৰ পৌৰ-প্ৰশাসন আৰু পৰিবহন আদি দপ্তৰ তেখেতৰ ভাগত পৰিছে। আজি তেখেতে যেনেকৈ কামত আগবাঢ়িছে, আমি বিভিন্ন মানুহৰ সৈতে কথা পাতি বুজি পাইছোঁ যে সকলোৱে তেখেতক প্ৰশংসাই কৰিছে। একেবাৰে মৃতপ্ৰায় নহয়, সম্পূৰ্ণ মৃত এটা প্ৰতিষ্ঠান পৰিবহন নিগম বিভাগটো তেখেতে এই কেইদিনতে সজীৱ কৰি তুলিছে, সেইটো সৰ্বজনবিদিত। আমি আজি গুৱাহাটীৰ পৰা ঘৰলৈ যোৱাৰ পথত বহু ৰঙা গাড়ী ৰাজপথত দেখা পাইছো ও ৰঙা বাছত উঠা সুবিধা পাইছো। আগতে আমাৰ দেউতাই আমাক কোৱা মনত পৰে, ৬-৪৫ ত নগাওঁৰ পৰা গুৱাহাটীলৈ ৰঙা বাছ যায়, সেয়ে আমি আগতীয়াকৈ গৈ লাইন কৰিব লাগে, টিকটৰ কাৰণে। আজি আকৌ সেই বাছৰ নিয়মীয়া চলাচল দেখি সঁচাকৈ মন্ত্ৰী মহোদয়ক প্ৰশংসাৰ পাত্ৰ বুলি কব বিচাৰিছোঁ।

কিন্তু, এই বাতৰি কাকতত যিটো বাতৰি ওলাইছে সেই পৰিপ্ৰেক্ষিতত হে আজি মই বাতৰিটোৰ কথাহে এই শূণ্যকালত উপস্থাপন কৰি লগতে মন্ত্ৰী মহোদয়ৰ পৰা ইয়াৰ সু-উত্তৰ কামনা কৰিছো। ইয়াত লিখিছে যে, ছয় মাহৰ বাবে পূৰ্বৰ লেচীকে পুনৰ চেকগেটবোৰ চমজাই দিছে।

---

* *Speech not corrected*

এইটো কথা সঁচা নেকি? মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

পূৰ্ব্বৰ লেচীয়ে পূৰ্ব্বতে জমা দিয়া ২ কৌটি ৬২ লাখ আমানতৰ ধন এমাহৰ ভিতৰত ঘূৰাই দিবলৈ মহামান্য আদালতে নিৰ্দেশ দিছে বুলি কাকতত লিখিছে।

আদালতৰ নিৰ্দেশকো উলংঘা কৰি আমানতৰ ধন ঘূৰাই নিদিয়াকৈয়ে পূৰ্ব্বৰ লেচীকে চেকগেট দিয়া হৈছে নিকি? কাকতত লিখিছে - "উল্লেখযোগ্য যে, অগপৰ আমোলত লেচীসকলে তদানিন্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তক প্ৰতিমাহে ২০ লাখতকৈয়ো বেচি টকা আদায় দিছিল।" কথাটো সঁচা নেকি? কাকতখনত আকৌ লিখিছে - "সম্প্ৰতি ক্ষমতাশীল হৈ পৰা ছালফা নেতা এজনৰ সহায়ত নিগমৰ লেচীসকলেও শ্ৰীদত্তক প্ৰতিমাহে বিপুল পৰিমাণৰ ধন আদায় দিয়াৰ এক গোপন বুজা-বুজিত মিলিত হৈছে। এনে বুজা-বুজিৰ পৰিপ্ৰেক্ষিততে মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈদেৱক অৱগত নকৰোৱাকৈ চেকগেটত ৰাজ্যৰ বাহিৰৰ পৰা অহা ট্ৰাকে আদায় দিব লগা মাছুল ৫০ টকাৰ পৰা ১০০ টকালৈ একপক্ষীয়ভাৱে বৃদ্ধি কৰা হয়। এইখিনিৰ কিমান সত্যতা আছে?

আকৌ লিখিছে- পূৰ্ব্ব চৰকাৰৰ দিনত নিগমৰ লেচী নামধৰী ছালফা কৰ্মী সকলে প্ৰতিখন ট্ৰাকৰ চৰকাৰ পৰা ৫০০ টকাকৈ আদায় কৰিছিল, ডাবি ধমকি দি। এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছোঁ যে মোৰ কেবাজনো বন্ধু-বান্ধৱ আছে যি সকল এখন, দুখন ট্ৰাক আছে, তেঁওলোকৰ পৰা শুনিছোঁ যে এতিয়া অন্ততঃ আগৰ দৰে ডকা-হকা দি টকা আদায় কৰাৰ কোনো ব্যৱস্থা নাই।

অধ্যক্ষ মহোদয়, যিহেতু এইটো এটা ৰাজহুৱা স্বাৰ্থৰ সৈতে জড়িত বিষয় সেয়ে অন্ততঃ আমাৰ এই পবিত্ৰ সদনৰ পৰা কোনো এজন মাননীয় বিধায়কক আপুনি চৰজমিন তদন্ত কৰি ভালে ভাল হয়। এই ট্ৰাকৰ মালিক সকলে আজি কেইদিনমানৰ আগতে মন্ত্ৰী মহোদয়ক ডকা-হকা দি টকা আদায় কৰাটো বন্ধ কৰাৰ বাবে আদৰণী জনাইছে বুলি আমি জানিব পাৰিছো। এই কাকতত আৰু এনে কিছু কথা লিখিছে যি বিলাক ৰাজহুৱা স্বাৰ্থ জড়িত থাকিলেও কথাখিনি অপ্ৰিয় সত্য, গতিকে সদনত পঢ়ি দিব বিচৰা নাই।

কিন্তু মই যিটো বিষয় উত্থাপন কৰিলো সেইটোৰ এটা উত্তৰ মন্ত্ৰী মহোদয়ৰ পৰা পাম বুলি আশা ৰাখিলো।

*শ্ৰীঅঞ্জন দত্ত (পৰিবহন মন্ত্ৰী) :- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ৰেকিবুল হুচেইন ভাঙৰীয়াই "একাংশ ছালফা নেতাৰে মন্ত্ৰী দত্তৰ গোপন বুজাবুজি" বুলি যিটো বাতৰি পৰিবেশন কৰা

*Speech not corrected*

বুলি উল্লেখ কৰি বিষয়টো উত্থাপন কৰিছে সেই বাতৰিটো কিছু কথা আংশিক সত্য। কিন্তু বেছিভাগ কথাই উদেশ্য প্ৰণোদিত ভাবেই লিখা হৈছে। যি সকল আলফা নেতাই আত্মসমৰ্পণ কৰি ছালফা হৈছে আৰু তেওঁলোকৰ ভাৱমূৰ্ত্তিক যেতিয়া চৰকাৰৰ দিনৰ পৰাই গুপ্ত ঘাতক আদি বিভিন্ন কাৰ্যত লিপ্ত হোৱাৰ অভিযোগ উঠিছিল। বস্তুতে আজিও ঘৃণাৰ চকুৰেই চাইছে। চাকৰি আদিও পোৱা নাই। কিন্তু কিবা এটা লিগেল ব্যৱসায় কৰি তেঁওলোক চলিব বিচৰাটো বেয়া কথা হ'ব নেকি? তেঁওলোকৰ বস্তুতৰে খাবলৈ নোহোৱা অৱস্থা। সেই কাৰণে আমি আজি সকলোলৈকে অনুৰোধ জনাইছো যে তেঁওলোকৰ সেই ছালফা শব্দটো এৰোৱাই আমাৰ মাজৰ এজন নাগৰিক হিচাপে ৰাখিব বিচাৰিছোঁ কাৰণ সকলো ছালফাই উপযুক্ত যুৱক নহয়। আনকি তেওঁলোকৰে বস্তুতৰে ৪ৰ্থ শ্ৰেণীৰ চাকৰি বিচাৰিও পোৱা নাই। হাহাকাৰ অৱস্থা। মাননীয় সদস্য সকলে নিজৰ নিজৰ সমষ্টিত থকা ছালফা সদস্য সকলৰ কথা নিজেই জানে। বৰ্ত্তমান চৰকাৰে ১৮ মে'ত শপত গ্ৰহণ কৰাৰ পিচতে মুখ্যমন্ত্ৰী মহোদয়ে মন্ত্ৰী সকলক লৈ আলোচনাত মিলিত হৈছিল আৰু বিভিন্ন পৰামৰ্শ আৰু নিদেৰ্শ দিছিল যাতে সকলো ফালৰ পৰাই নিকা প্ৰশাসক আৰু প্ৰশাসনৰ জৰিয়তে সেৱা কৰিব পাৰোঁ। নিকা ভাৱমূৰ্ত্তি হ'ব লাগে। ইলিগেল কাম যাতে নহয় সেইটো চাব লাগিব। সেয়ে মই যোৱা ২১ মে'ত মোৰ দায়িত্ব ভাৱ গ্ৰহণ কৰিয়েই মই গুৱাহাটীৰ যিমান বিলাক চেকগেট যিবিলাকৰ পৰা চৰকাৰৰ ৰাজহৰ ঘৰলৈ এটকাও নাহে সেই চেকগেট বিলাক বন্ধ কৰি দিবলৈ নিদেৰ্শ দিঁছো। এদল উদণ্ড ছালফা যুৱকে এইটোৰ এটা ব্যৱসায়েই চলাই আছিল য'ত বেলতলাতে ৮টা চেকগেট আছিল যাৰপৰা ৫০ লাখ টকাকৈ মাহে সংগ্ৰহ কৰিছিল বুলি বাতৰি কাকততে ওলাইছিল। আগৰ অগপৰ মুখ্যমন্ত্ৰীজনকে বোলে মাহে ২০ লাখ টকাকৈ দিছিল বুলি লেচী সকলে নিজেই কৈছে। সঁচানে মিছা মই নাজানো। এতিয়া আমি চৰকাৰত বহিয়েই এই চেকগেট বিলাক ৪৮ ঘন্টাৰ ভিতৰতে মই নিৰ্দেশ দিছোঁ। যি কেইখন চেকগেটৰ পৰা চৰকাৰৰ ৰাজহ এটকাও নাহে সেই গেটসমূহ মই দায়িত্ব লৈয়েই উচ্ছেদ কৰিবলৈ নিৰ্দেশ দিঁছো।

**শ্ৰীঅঞ্জন দত্ত, মন্ত্ৰী** :- মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যখনত যিমান কৰ সংগ্ৰহ কৰা হয় সেই কৰ চৰকাৰৰ ৰাজহ বিভাগলৈ নাহে। প্ৰতিখন ট্ৰাকৰ পৰা এক টকা কৰি কৰ সংগ্ৰহ কৰিলেও দৈনিক বহুত টকা ৰাজ্যখনৰ ৰাজহ বিভাগলৈ আহে। এইটো স্বীকাৰ কৰিব লাগিব যে, সেই সময়ৰ চৰকাৰৰ প্ৰতিজন বিৰয়া, প্ৰশাসন নিবৰ। ইয়াৰ কাৰণসমূহ সেইসময়ত থকা সেই বিষয়াসকলে জনাব। সেই বুলি মই বিষয়াসকলক দুষাৰোপ কৰিবলৈ নাযাওঁ। মই জানো যে কিছুমান বিষয়া থিকে আছে আৰু সেই বিষয়াসকলক কেতিয়াবা বাধ্য হৈ কোনো কামত বিশ্বাসত লোৱা হয়। কেতিয়াবা বহুতো টকা চেকগেটত তেওঁলোকক দিয়ে। ১৯৯২ চনত ১৫ চেপ্তেম্বৰৰ পৰা ৩১/৩/২০০০ চনটো আবন্তন দিছিল। কিন্তু

মাননীয় অধ্যক্ষ মহোদয়, ইয়াত এক্সটেনশ্বন দিয়াৰ কোনো প্ৰভিজন নাই। এক্সটেনশ্বন দিয়াৰ কোনো প্ৰভিজন নথকা স্বত্বেও যোৱা চৰকাৰৰ কাৰ্য্যকালত যি জনপ্ৰশাসনিক বিষয়া আছিলে ডাঃ পি.চি. শৰ্মা - ইংৰাজী - ডেপুটি মেয়ৰ শ্ৰীঅৰুণ দাস আৰু ডাঃ পি.চি. শৰ্মাই সেই সময়ত ইলেক্টেড বডি আছিলে তেখেতসকলে সেই সময়ত গুৱাহাটী মিউনিচিপাল কৰ্পোৰেশ্বনত এইটোৰ ক্ষেত্ৰত টেণ্ডাৰ কল কৰিব লাগে বুলি সিদ্ধান্ত গ্ৰহণ কৰিছিলে। মিউনিচিপাল কৰ্পৰেশ্বনৰ এক্টখন ভায়লেট কৰি এক্সটেনশ্বন দিছিলে। কিন্তু তেওঁলোকে দিব নোৱাৰে। সেই সময়ত কৰৰ হাৰ ইমান বৃদ্ধি হৈছিল যে প্ৰতিখন ট্ৰাকৰ পৰা ৫০ টখা আৰু অটোৰ পৰা ৫ টকা কৰ লৈছিল। আমি ২১ মে'ৰ দিনা নিৰ্দেশ দিলো যে চেকগেটত কোনোৱে বেচি পইছা ল'ব নোৱাৰিব। সেই একে বিষয়াসকলে সেই ঠাইত কাম কৰি আছে। আমাৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ নিৰ্দেশ আৰু পৰামৰ্শ অনুযায়ী আমাৰ ভাবমুৰ্ত্তী নিকা কৰি ৰাখিবলৈ চেষ্টা চলাই যাম। যেতিয়া বেচি পইছা লব নোৱাৰা অৱস্থা কৰা হ'ল তেতিয়া উপায়হীন হৈ আয়কৰ বিভাগে ২৪ ঘন্টাৰ ভিতৰত চেকগেটখন পৌৰনিগমক চমজি লবলৈ কোৱা হ'ল। তেওঁলোকৰ চিকিউৰিটি ডিপ'জিত আছিল ২ কোটি ৬২ লাখ ৫৫ হাজাৰ ৬৩১ টকা। চেকগেটখন সোনকালে চমজি ল'বৰ কাৰণে হাইকোৰ্টে আমাক নিৰ্দেশ দিয়ে। হয়তো গোপন বুজা-বুজিৰ বাবেও এনেকুৱা হ'ব পাৰে।

মাননীয় অধ্যক্ষ মহোদয়ে, ১২ তাৰিখে মই ডিব্ৰুগড়লৈ গৈছিলো আৰু ২৪ তাৰিখে মই আহি গুৱাহাটী পাইছোহি। সেই সময়ছোৱাত যিটো আন্দোলন চলি আছিল সেই সময়ত মই নাই। সেই আন্দোলনটোত মইও একমত। তেওঁলোকৰ যিটো চিকিউৰটি ডি'পজিত আছিল এই গোটেইখিনি এবছৰত কাৰণেহে। আচলতে গোপন বুজা-বুজিৰে চৰকাৰক কৰ সংগ্ৰহ কৰি দিয়া হৈছে ৫০ টকাৰ ৫০০ টকালৈকে। ইমান এটা হাইৰেট তেওঁলোকে সংগ্ৰহ কৰিব নোৱাৰে। কিন্তু টেক্স বিভাগে তেওঁলোকৰ পৰা টকা পাই আছে যদিও ৫০ টকাৰ পৰা ৫০০ টকা হাৰত লব নোৱাৰে। যেতিয়া লেচীয়ে দেখিলে যে বেছি টকা ভৰিছে তেতিয়া চেকগেটখন চাৰেনদাৰ কৰিলে । তেওঁলোকৰ পৰা ২৪ ঘণ্টাৰভিতৰত চেকগেটখন চমজাই লব লাগে। এক মাহৰ ভিতৰত এই গেটখনৰ পৰা ১২ কোটি ৬২ লাখ টকা পাব লাগে। আদালতৰ নিৰ্দ্দেশ অনুসৰি পৌৰনিগমে এই গেটখন চমজাই বিষয়া সকলক মই নিৰ্দ্দেশ দিছো, এচেচ কৰি কিমান গাড়ী পালে আৰু কিমান টকা লৈছে। - ইংৰাজী - ৫০ কোটি টকা দিয়াতকৈ ১২ কোটি টকাৰ ১৪ কোটি দিলে অসুবিধা হ'ব নেকি? এই ৫০ কোটি টকা দিয়া পিছতো ৩৮ কোটি টকা লোকচান ভৰিলে। প্ৰতিখন অটোৰ নামত কৰৰ হাৰ বৃদ্ধি কৰি ৫০ কোটি টকা লবৰ কাৰণে আমি আকৌ গুণ্ডামি কৰিম নেকি? সেইকাৰণে টেণ্ডাৰ বন্ধ কৰিবলৈ কৈছো। এই গেটখনৰ ওপৰত

অভিযোগ আনিব পাৰে যে য সকল বিষয়া কেচত থাকে তেওঁলোকেহে পায়। সেইকাৰণে কেইজনমান বিষয়াই ক'লে যে সোনকালে টেণ্ডাৰ বন্ধ কৰক।

মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ ঘৰলৈ বাজহ হিচাবে মাহত ৬০ লাখ টকা আহিছে। ৭ কোটি ২০ লাখ টকা আহে বুলি জানিও কোনোবা বিষয়াই খেলি-মেলি কৰি ১০ কোটি টকা আনিলে হয় কিন্তু চৰকাৰক ২০ কোটি বা ১৪ কোটি টকা দিয়ে বুলি ক'লে উচিত হবনে? আগৰ চৰকাৰে প্ৰতিখন অটোৰ পৰা ৫ টকাৰ ঠাইত ৫০ টকা আৰু প্ৰতিখন ট্ৰাকৰ পৰা ৫০ টকাৰ ঠাইত ৫০০ টকা সংগ্ৰহ কৰি কিমান হেজাৰ টকা বৃদ্ধি কৰিছে। এইবোৰৰ বিষয়ে প্ৰতিদিনে বাতৰি কাকতত পোৱা গৈছে। এই কথাবিলাক যদিও বাতৰি কাকতত লিখিছে তেখেত সকলে মোৰ লগত যোগাযোগ কৰা হলে বাতৰি কাকতত অসত্য বাতৰি দিব পাৰিলোহেতেন। কিন্তু বিধান সভাৰ সদনৰ মজিয়াত অসত্য বাতৰি দিব নোৱাৰিম। সেই সৎ সাহস আছে কাৰণেই আজি মই বিধান সভাৰ মজিয়াত মাননীয় সদস্য ৰকিবুল হুচেইন ডাঙৰীয়াক উত্তৰ দিয়াৰ সুযোগ দিয়াৰ বাবে ধন্যবাদ দিছো আৰু কৃতজ্ঞতা জনাইছো। এই যে ২ কোটি ৬২ লাখ টকা চিকিউৰিটি ডি'পজিত দিছিল এই টকাতো পৌৰনিগমৰ কৰ্মচাৰীক দৰ্মহা দিওঁতে খৰছ কৰিবলগীয়া হৈছিল। পূৰ্বৰ চৰকাৰৰ ভুল নীতিৰ কাৰণে আজি পৌৰনিগমে ভুগিবলগীয়া হৈছে। এই সম্পৰ্কত তেখেতে ইয়াত কেইটামান প্ৰশ্ন উত্থাপন কৰিছে। বাতৰি কাকতত প্ৰকাশ পাইছে যে স্বয়ং মুখ্য মন্ত্ৰীয়েও অঞ্জন দত্তৰ এনে কাৰ্য্যত মুঠেই সন্তুষ্ট নহয়। উল্লেখযোগ্য যে আগৰ আমোলত লেচী সকলে তদানীন্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তক প্ৰতি মাহে ২০ লাখতকৈও অধিক টকা আদায় দিছিল। প্ৰতিমাহে বিপুল পৰিমানৰ ধন আদায় দিয়াৰ এক গোপন বুজাবুজিত মিলিত হৈছে বুলি বাতৰি কাকতত প্ৰকাশ পাইছে। মই যদি ৫০০ লাখ টকা ১০০০ টকা বেট অনুমোদন কৰিলোহেতেন হয়তো গোপন বুজা-বুজি এটা মোৰ লগত কৰিলেহেতেন। অধ্যক্ষ মহোদয়, মই এই পবিত্ৰ সদনত জনাব বিচাৰিছো যে আমি যিহেতু এনেকুৱা ধৰণৰ কাম-কাজৰ ক্ষেত্ৰত বাধাহে দিছো গতিকে এই ক্ষেত্ৰত কোনো গোপন বুজা-বুজি হোৱা নাই। হাইকোৰ্টৰ নিৰ্দেশ মতেহে আমি এক্সটেনচন দিছো। হাইকোৰ্টত তেওঁলোকে আপীল কৰিছিল। এটা পাৰ্টিয়ে ২ কোটি ৭২ লাখ টকাৰ চিকিউৰিটি ডিপোজিত দিছিল। গতিকে সেই পাৰ্টিটোকে চিকিউৰিটি ডিপোজিতখিনি ঘূৰাই দিয়াৰ দায়িত্ব পৌৰ নিগমৰ। এইটো কোনে কৰিলে? এয়াৰ আগৰ চৰকাৰেই এইটো কৰিলে। কি পৰিস্থিতিত পৌৰনিগমে টকাটো খৰচ কৰিব লগীয়া হ'ল। পৌৰ নিগম নিগমৰ কৰ্মচাৰীসকলক দৰ্মহা দিয়াৰ কাৰণে কাৰো দায়িত্ব নাই। পৌৰ নিগম নিজৰ ওপৰতেই নিৰ্ভৰশীল। পৌৰ নিগমৰ ক্ষেত্ৰত চৰকাৰৰ কোনো বাজেট নাই। মই এইখিনিতে আন এটা কথা ক'ব বিচাৰিছো। লোডিং আনলোডিং বুলিএটা কথা আছে। পৌৰ নিগমে এই লোডিং আনলোডিঙৰ পৰা মাত্ৰ ৯ লাখ টকা পাইছিল। কিন্তু এই লোডিং

আনলোডিঙৰ নামত ৫০০ কোটি/১০০০ কোটি টকা সংগ্ৰহ কৰাৰ পিছত পৌৰ নিগমে মাত্ৰ ৯ লাখ টকাহে পাইছিল। সেইটো এতিয়া বন্ধ কৰি দিয়া হৈছে। ট্ৰেড লাইচেঞ্চ ফিজ্‌ৰ ৰেট যোৱা চৰকাৰৰ দিনতেই বঢ়াই গৈছে। তথাপিতো আমি ট্ৰেডাৰ সকলৰ লগত আলোচনা কৰি নিগোচিয়েচন কৰিছো আৰু ৰেটতো অলপ কমাইছো। কিন্তু সেইটো আজিও কাৰ্য্যকৰী কৰা হোৱা নাই। গেটবিলাকৰ পৰা তেনেকৈ পইচা নাহে। এইদৰে বাজেট কমি যোৱাৰ কাৰণে মই বহুত চিন্তা কৰিছো যদিও কাম কৰিব পৰা নাই। আগতে গুৱাহাটীত এজাক বৰষুণ হলেই বহুত পানী জমা হৈছিল। কিন্তু এতিয়া কিছু কমিছে। সেই হিচাবে যোৱা চৰকাৰৰ দিনত কোনো নীতি নিয়ম নোহোৱা কৰি কাম কৰাৰ কাৰণে কিছু কাম বেয়া হৈছে। অধ্যক্ষ মহোদয়, টকাতো এডযাষ্ট নোহোৱাৰ কাৰণে আৰু হাইকোৰ্টৰ নিৰ্দেশ মৰ্ম্মেহে ৬ মাহলৈ এক্সটেনশ্যন দিবলগীয়া হৈছে। আমাৰ যদি বেড ইনটেনচন থাকিলহেতেন তেতিয়াহলে ৩ বছৰলৈকে এক্সটেনশ্যন দিব পাৰিলোহেতেন। এই সম্পৰ্কে কোৰ্টত আলোচনা হৈছে আৰু কোৰ্টৰ নিৰ্দেশ মতেহে যোগাযোগ কৰা হৈছে। এই সম্পৰ্কীয় ফাইল চাবলৈ মই মাত্ৰ ২ ঘন্টামানহে সময় পাইছিলো আৰু ২৪/৯/২০০১ তাৰিখে এই গেটকেইখন তেখেতসকলক চমজাই দিয়া হৈছে। মই আগতেই কৈছো যে যিটো ২ কোটি ৬২ লাখ টকা চিকিউৰিটি ডিপজিতত এই টকাতো ফিক্স ডিপজিত কৰি থোৱা হৈছিল। কিন্তু এই ফিক্স ডিপজিতৰ টকাখিনি উলিয়াই আনি পৌৰনিগমৰ কৰ্মচাৰীসকলক দৰ্মহা দিয়া হ'ল। এইটো কি কাৰণত কৰিবলগীয়া হ'ল মই তাবে এটা তদন্ত কৰিম। এইটো ঠিক যে কৰ্মচাৰীসকলক দৰ্মহা দিয়াৰ কাৰণে পৌৰ নিগমৰ পইছা নাই। পৌৰ নিগমে নিজৰ ওপৰত ভিত্তি কৰি চলিবলগীয়া হৈছে। ১ কোটিৰো বেচি টকা দিবলগীয়া আছে। আমি ইতিমধ্যে মাৰ্চ মাহৰ ভিতৰত টকাতো এডযাষ্ট কৰাৰ কাৰণে ব্যৱস্থা লৈছো। অধ্যক্ষ মহোদয়, চেকগেট আৰু পাৰ্কিং প্লেচ সমূহৰ নিগোচিয়েটেড চেটেলড্ ভেলু হৈছে-শৰাইঘাট চেকগেট ৩,৭১,২০,৭২৪.০০ টকা, খনামুখ চেকগেট ৮৭,৩২,৩০৯.০০ টকা, খানাপাৰা চেকগেট ৪,১১,৮১,৩৮০.০০ টকা, নাৰেঙ্গী চেকগেট ৩৭,৫৩,৫৭২.০০ টকা, এন.এইছ. পাৰ্কিং প্লেচ ১,৫০,৮৯,৬৩০.০০ টকা, জালুকবাৰী পাৰ্কিং প্লেচ ১,১২,১৭৯.০০ টকা, গড়পাণ্ডু পাৰ্কিং প্লেচ ৩১,৭৪,০০০.০০ টকা। ২০০০-০১ চনত এই চেকগেটসমূহৰ আৰু পাৰ্কি প্লেচসমূহৰ চেটেলড্ ভেলু আছিল ৮.৭৫ (আঠ দশমিক পঁয়সত্তৰ) কোটি টকা আছিল আৰু এই বছৰ ২০০১-০২ চনত হৈছে ১২.০৩ কোটি টকা। ৬ মাহৰ কাৰণে আমি ৫০ পাৰ্চেন্ট এনহেঞ্চ কৰি ২০০১-০২ চনৰ কাৰণে ১২.০৩ কোটি টকা চেটেলড্ ভেলু কৰি দিয়া হৈছে। গতিকে এই যিটো অভিযোগ, এই অভিযোগটো সম্পূৰ্ণভাবে ভিত্তিহীন। ইয়াত কোনো গোপন বুজা-বুজিৰ কথা নাহে। এই যিটো চিকিউৰিটি ডিপোজিতৰ টকা আছে এইটো ফেব্ৰুৱাৰী মাহৰ ভিতৰত এডযাষ্ট কৰা হ'ব। উচ্চন্যায়ালয়ৰ নিৰ্দেশমতেহে এইটো কৰা হৈছে। আমি উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ

মানিবই লাগিব। পাৰ্টিৰ পৰা ২ কোটি ৬৫ লাখ টকা লৈছিল। গতিকে অন্য কোনোবা লেছিক দিলে যদি টকাতো ঘূৰাই নাপায় সেইকাৰণেই তেওঁলোকে হাইকোৰ্টলৈ গৈছে। ৬ মাহৰ ভিতৰত সেই টকাতো এডযাষ্ট কৰা হ'ব।

অধ্যক্ষ মহোদয়, বাতৰি কাকতত বিভন্ন ধৰণৰ বাতৰি ওলাইছে - আজিও ওলাইছে, মোকো জড়িত কৰিছে। বেলতলাত প্ৰতিখন ট্ৰাকত ৫০০ টকা দি কাঠ পাৰ কৰে, আমাৰ এনফোৰ্চমেন্ট বিভাগে নধৰে বুলি। অধ্যক্ষ মহোদয়, আপুনি জানে যে অলপতে আমাৰ বিভাগে বেলতলাত ৫ টা ভূৱা ডি.টি.অ'. অফিচ ৰেইড কৰি ধৰা পেলাইছে আৰু বিভিন্ন নথিপত্ৰ জব্দ কৰি কেইবাজনো লোকক গ্ৰেপ্তাৰ কৰিছে। এই কাম গুৱাহাটী চিটি পুলিচৰ দ্বাৰা কৰা হৈছে আৰু পুলিচক এই তথ্য মোৰ অফিচৰ পৰাই দিয়া হৈছিল। এই কাম বহুত দিনৰ পৰাই চলি আহিছিল, এই ভূৱা চাৰ্টিফিকেটৰ ডি.টি.অ'. অফিচৰ লোকে এচাম বিষয়াক মেনেজ কৰি এই কাম চলাই আছিল। অধ্যক্ষ মহোদয় ময়ো টকা লব পাৰিলোহেতেন, তেওঁলোকে মোৰ ওচৰলৈ মানুহ পঠাইছিল কিন্তু মই তেওঁলোকক প্ৰশ্ৰয় দিয়া নাই, তেওঁলোকৰ ওচৰত মূৰ দোওৱা নাই। আমাৰ কংগ্ৰেছ চৰকাৰে ৰাইজক এখন নিকা চৰকাৰ দিয়াৰ প্ৰতিশ্ৰুতি দিছে। মই ৰাইজৰ ওচৰত আমাৰ চৰকাৰৰ ভাবমূৰ্তী নিকা কৰিবলৈ আন্তৰিকতাৰে চেষ্টা চলাইছো। কিন্তু অধ্যক্ষ মহোদয়, মাজে মাজে মনত আঘাট পাওঁ, দুখ লাগে যেতিয়া চুৰ নকৰিলেও চুৰ কৰাৰ বদনাম পাওঁ। কিন্তু মোৰ মনত কোনো বেয়া ইনটেনচন নাই বুলি আজি এই পবিত্ৰ সদনত ব্যক্ত কৰিছো। ইলিগেল ট্ৰাক চলিছে হয়, এখন বা দুখন ট্ৰাকৰ পাৰ্মিট লৈ এচাম অসাধু লোকে ৫-৬ খনকৈ ট্ৰাক চলায়, এইবোৰ জব্দ কৰা হৈছে। অধ্যক্ষ মহোদয়, এই পুনৰ দোহাৰো যে আমাৰ চৰকাৰে এক নিকা প্ৰশাসনৰ প্ৰতিশ্ৰুতি ৰাইজক দিছে - এই ক্ষত্ৰত মই আন্তৰিকতাৰে কাম কৰিবলৈ চেষ্টা কৰিছো বুলি এই পবিত্ৰ সদনত পুনৰ দোহাৰিছো আৰু এই ক্ষেত্ৰত আপোনালোক সকলোৰে সহায় পাম বুলি আশা ৰাখিছো। মাননীয় সদস্য শ্ৰী ৰফিকুল হুচেইন ডাঙৰীয়াক মই ধন্যবাদ জনাইছো - তেখেতে এই অভিযোগ ননা হ'লে এই পবিত্ৰ সদনত মই আজি এইখিনি কথা কবলৈ সুবিধা নাপালোহেতেন আৰু মই আশা ৰাখিছো তেখেতে অনা অভিযোগ সম্পৰ্কে তেখেত এতিয়া নিশ্চয় ক্লিয়েৰ হৈছে। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰিছো, ধন্যবাদ।

**শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ-** Mr. Speaker : Sir, A point of clearification, মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা স্পষ্টিকৰণ আছে - মন্ত্ৰী মহোদয়ৰ পৰা যিজন কমিচনাৰে এই ২ কোটি ৬২ লাখ টকা ফিক্সড ডিপোজিত কৰি ৰাখিছিল তেওঁৰ ওপৰত মন্ত্ৰী মহোদয়ে বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰিবনে? দ্বিতীয়তে লেচীসকলৰ ইনকাম টেক্স ফাইল আছেনে নাই - তেওঁলোকে ইনকাম টেক্স দিছেনে নাই?

শ্ৰীঅঞ্জন কুমাৰ দত্ত, ৰাজ্যিক পৰিবহন মন্ত্ৰী(স্বতন্ত্ৰ), পৌৰপ্ৰশাসনঃ- মাননীয় অধ্যক্ষ মোহোদয়, ফিস্কড ডিপোজিতৰ বিষয়টো মই তদন্ত কৰিম। কিন্তু ইনকাম টেক্স দিয়া -নিদিয়া সম্পৰ্কে মই সঠিক নাজানো। কিন্তু টেণ্ডাৰ চাবমিট কৰাৰ সময়ত তেওঁলোকে ইনকাম টেক্স ক্লিয়াৰেঞ্চ চাৰ্টিফিকেট দিয়ে, এইটো দিয়াৰ নিয়ম।

Mr. Speaker :- Now I call upon Hon'ble Members Shri Brindaban Goswami, Shri Hitendra Nath Goswami, Shri Gunin Hazarika, Shri Girindra Kumar Barua, Shri Dilip Kr. Saikia,Shri Bhupen Roy, Shri Phani Bhusan Choudhury Shri Sarbananda Sonowal and Ali Akbar Miah to raise their Zero Hour Motion.under the caption."ব্লেকবৰ্ড আঁচনিৰ শিক্ষক সকলক নিয়মীয়া দৰমহা প্ৰদান"

*শ্ৰীবৃন্দাবন গোস্বামী ঃ- সন্মানিত অধ্যক্ষ মহোদয়, এই আপোনাৰ জৰিয়তে, শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ৰ এটা অতি গুৰুত্বপূৰ্ণ বিষয়ৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰিব বিচাৰিছো। বিষয়টো হৈছে চৰকাৰৰ কৃষ্ণ ফলক আচনিৰ যোগেদি ৰাজ্য খনত ৮৬০ জন লোকক শিক্ষক হিচাপে নিযুক্তি দিয়া হৈছিল। এই আচনিৰ ধন কেন্দ্ৰীয় চৰকাৰে বহন কৰিব। কিন্তু ৰাজ্যখনৰ বিভিন্ন ঠাইৰ পৰা অভিযোগ আহিছে যে এনেদৰে নিযুক্তি প্ৰাপ্ত শিক্ষক সকলে তেওঁলোকৰ দৰমহা পোৱা নাই। এই বিষয়টোৰ প্ৰতি মই মাননীয় শিক্ষামন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। এইটোও অভিযোগ পোৱা হৈছে যে কোনো কোনো জিলাত মঞ্জুৰী পোৱা পদতকৈ অধিক লোকক তেনে পদত নিযুক্তি দিয়া হৈছে বুলি। মই এনে কামক কেতিয়াও উৎসাহিত নকৰো। এনে কামত জড়িত বিষয়া কৰ্মচাৰী বা যি কোনো লোকক চৰকাৰে নিয়ম মতে ব্যৱস্থা গ্ৰহন কৰিব লাগে।- কিয় নিয়ম বহিঃভূত ভাবে এনে নিযুক্তি তেওঁলোকে দিছে। শিক্ষা বিভাগত এনে ধৰণৰ খেলি-মেলি বহুত দিনৰ পৰাই চলি অহাৰ অভিযোগ পোৱা যায়। এনে কাৰ্য্য উচিত নহয়, কিন্তু একাংশ বিষয়া কৰ্মচাৰীৰ অন্যায়ৰ বাবে একাংশ শিক্ষকে কষ্ট ভোগ কৰিব সেইটো উচিত নহয়। চি,এ,জিৰ ৰিপোৰ্ট প্ৰকাশ পাইছে যে ৰাজ্য চৰকাৰৰ অস্তিত্বহীন শিক্ষক নিযুক্তিৰ ফলত ৬২ কোটি টকা ভৰিব লগা হৈছে। এনেকুৱা কিছুমান কামৰ বাবে ৰাজ্য চৰকাৰে আজি এক গভীৰ বিত্তীয় সংকতত পৰিব লগা হৈছে। কিন্তু মোৰ কথা হৈছে যি সকল লোকে কৃষ্ণ ফলক আঁচনিত মঞ্জুৰীকৃত পদৰ বিপৰীতে নিযুক্তি পাইছে তেওলোকক বিভাগে দৰমহা খিনি মোকলাই দিয়াৰ ব্যবস্থা সোনকালে ল'ব লাগে। নহলে মঞ্জুৰীকৃত পদৰ বিপৰীতে কাম কৰি থকা শিক্ষক সকলৰ প্ৰতি অন্যায় কৰা হ'ব। ময়ো আগতে শিক্ষক নিযুক্তি বোৰ্ডত সভাপতি আছিলো আৰু তেতিয়া মানবীয় দিশ বিবেচনা কৰি বহু শিক্ষকৰ পদ নিয়মীয়া কৰা হৈছিল। অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় শিক্ষা মন্ত্ৰীক অনুৰোধ কৰিব খুজিছো যাতে তেখেতে এই আঁচনিৰ জৰিয়তে যি সকলে চেংচন পদত কাম কৰি আছে তেওলোকৰ দৰমহা অতি সোনকালে মোকলাই দিয়াৰ ব্যৱস্থা কৰে। আমাৰ মাননীয় সদস্য ডঃ জয়নাথ শৰ্মা ডাঙৰীয়াও আগতে মঙলদৈ জিলাত হোৱা শিক্ষক নিযুক্তিৰ খেলি-মেলিৰ বিষয়ে তদন্ত কৰি ব্যবস্থা লব লাগে বুলি মতামত আগবঢ়াইছিল। মই পুনৰ কও যি সকলক অন্যায় ভাবে ভূৱা পদৰ বিপৰীতে নিযুক্তি দিয়া হৈছে সেইবোৰৰ পদৰ অনুসন্ধান কৰি বিভাগীয় ব্যবস্থা গ্ৰহন কৰক। আৰু যি সকলে চেংচন পদত নিযুক্তি পাই দৰমহা নোপোৱাকৈ আছে তেওলাকৰ দৰমহা অতি সোনকালে মোকলাই দিয়াৰ ব্যবস্থা কৰিবলৈ মাননীয় শিক্ষা মন্ত্ৰীক অনুৰোধ জনাই ব্যক্তব্য সামৰণি মাৰিলো।

*Speech not corrected

(At 10.30 A.M Hon'ble Speaker left the Chamber and Hon'ble Member, Shri B. Roy; Chairman occupied the Chair)

Shri Bimalangshu Roy (Chairman) :- That I will take care of. Thank you.

*শ্ৰী বৃন্দাবন গোস্বামীঃ-মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধান সভাৰ কাৰ্য্যপৰিচালনাৰ যি নিয়ম, পদ্ধতি আছে, মই অনুৰোধ কৰো তাক যাতে সম্পূৰ্ণৰূপে কৰা হয়। কোন বিলাক আলোচনা কৰা দৰ্কাৰ এই বিলাক নিৰ্দ্দিষ্ট ভাবে ধৰা হৈছে। সেই বিষয়ে কঠোৰ দৃষ্টি ভঙ্গি গ্ৰহন কৰা উচিত।

*শ্ৰী গিৰিন্দ্ৰ কুমাৰ বৰুৱাঃ- মাননীয় চেয়াৰমেন ডাঙৰীয়া, যোৱা মাৰ্চ মাহত ও,বি,বি,ত যি সকল শিক্ষকক নিযুক্তি দিয়া হৈছিল, তেওলোকক দৰমহা দিয়া হোৱা নাই। আমাৰ দলৰ ফালৰ মাননীয় সদস্য শ্ৰী বৃন্দাবন গোস্বামী ডাঙৰীয়াই দৰমহা নোপোৱা শিক্ষকৰ বিষয়ে সদনত ইতিমধ্যে উত্থাপন কৰিছে। বাতৰি কাকতত উল্লেখ কৰা হৈছে ৭৬০০ পদৰ বিপৰীতে শিক্ষক নিযুক্তি দিয়া হৈছে। মঙ্গলদৈ ডি,আই, নিযুক্তি দিছিল, নলবাৰীতো অবৈধ ভাৱে শিক্ষক নিযুক্তি দিয়া হৈছিল। যোৱা বছৰ কেন্দ্ৰৰ পৰা বাজেট অহাই নাছিল, কিন্তু বাজেটত অন্তৰ ভুক্ত কৰা হৈছিল। কেন্দ্ৰৰ অনুদানৰ বিপৰীতে ধন ধাৰ্য্য কৰা হৈছিল। যিহেতু বাজেটত ধন ধাৰ্য্য কৰা হৈছিল, যি সকলক খালি পদত নিযুক্তি দিয়া হৈছিল সেই সকল শিক্ষকক দৰমহা দিয়াৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিছো। দৰমহা নোপোৱা শিক্ষক সকলে বিভিন্ন জিলাৰ বিভিন্ন ঠাইৰ পৰা আহি অসহযোগ কাৰ্য্যসূচীত লাষ্টগেটত ধৰ্না দিছে। তেখেতসকলে ছাত্ৰ-ছাত্ৰীসকলক পঢ়োৱাৰ দায়িত্ব আছে, সেই দায়িত্বৰ পৰা আতৰি আহিছে। ফলস্বৰূপে ছাত্ৰ -ছাত্ৰী সকল বঞ্চিত হৈছে। এই বিষয়টো অতি গুৰুত্বপূৰ্ণ বিষয়। সেই কাৰণে সভাপতি ডাঙৰীয়া, আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যি সকল শিক্ষকে দৰমহা পোৱা নাই তেওঁলোকক দৰমহা দিয়াৰ ব্যৱস্থা কৰিব লাগে। খালী পদসমূহত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে ৰাজ্যখনত ১৯৯১ চনৰ পিচৰ পৰা নিযুক্তি দিয়া হৈছিল, তাৰ পিছত আঢ়ৈ বছৰ ধৰি নিযুক্তি দিয়া হোৱা নাই। ৩৬০০ পদ এতিয়াও নিযুক্তি দিবলৈ বাকী আছে।

চেয়াৰম্যান ডাঙৰীয়া, আপোনাৰ জৰিয়তে মই চৰকাৰ তথা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যি সকল শিক্ষকক ও, বি, বি,আঁচ নিত নিযুক্তি দিয়া হৈছিল তেওঁলোকৰ নিযুক্তি বাহাল ৰাখিব লাগে। তেওঁলোকক ৩১ মাৰ্চলৈকে নিযুক্তি দিয়া হৈছিল। চৰকাৰে বিবেচনা নকৰিব পাৰে, কিন্তু এটা কথা মই উল্লেখ কৰিব বিচাৰিছো যে ও,বি,বি,ৰ শিক্ষক সকলক কেন্দ্ৰীয় চৰকাৰে এটা নিৰ্দিষ্ট সময়ৰ বাবেহে নিযুক্তি দিয়ে। কিন্তু এনে নহয়, পুৰ্বৰ চৰকাৰ সমূহে সময়ে সময়ে সেই সকলক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰি আহিছে। গতিকে মই আপোনাৰ জৰিয়তে শিক্ষা মন্ত্ৰী তথা চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যাতে খালি পদ সমূহত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰে আৰু শিক্ষক সকলক দৰমহা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

Mr. Chairman :- There are as many as 09 Hon'ble Members . I am to allow every one Kindly be brief .

*Speech not corrected

*শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ মাননীয় সভাপতি ডাঙৰীয়া, ইতিমধ্যে আমাৰ দলপতি মাননীয় গোস্বামী ডাঙৰীয়া আৰু মাননীয় সদস্য শ্ৰী গিৰিন্দ্ৰ কুমাৰ বৰুৱাই অ, বি,বি, আচনিৰ জৰিয়তে অসমত প্ৰাথমিক আৰু মাধ্যামিক বিদ্যালয়ত যি শিক্ষক নিযুক্তি দিয়া হৈছিল সেই নিযুক্তি দিয়া শিক্ষক সকলক এতিয়াও বেতন দিয়া নাই এই বিষয়ে উল্লেখ কৰিছে । মইও আপোনাৰ জৰিয়তে অসম চৰকাৰৰ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছে যে তেওঁলোকক যাতে দৰমহা দিয়াৰ ব্যৱস্থা কৰে । নলবাৰীত যি হৈছে তাৰ কাৰণে সকলোৱে দায়ী নহয় । আমাৰ এলেকাত যি মতে শিক্ষক নিযুক্তি দিব লাগে সেই মতে দিয়া হৈছে । তেওঁলোকে চৰকাৰৰ নিৰ্দ্দেশ মতে নিযুক্তি পাইছে । এতিয়া সেই সকলে কিয় দৰমহা নাপাব ।

সভাপতি ডাঙৰীয়া, এই শিক্ষক নিযুক্তিত যি সকল বিষয়াই খেলিমেলি কৰি নিযুক্তি দিছিল তাৰে কিছুমান একচন হৈছে আৰু কিছুমান বিষয়া কৰ্ম্মচাৰীৰ এতিয়া একচন হোৱা নাই । কমলা শৰ্মাৰ এতিয়াও একচন হেৱা নাই । ২৯২ টা পোষ্ট দিছে ,কিয় একচন লোৱা নাই । নলবাৰীত যদি একচন লব পাৰে তেন্তে জোনাইত কিয় নোৱাৰে ? বুদ্ধেশ্বৰ বৰাক কিয় একচন লব নোৱাৰে । আইন সকলোৰে কাৰনে সমান । সেই কাৰনে আমি কৈছো অ,বি,বি,ত যি সকলে নিয়ম মতে চাকৰি পাইছে তেওঁলোকক দৰমহা দিব লাগে । এই ব্যৱস্থা সোনকালে কৰিব লাগে ।

মাননীয় সভাপতি ঃ আপুনি অলপ চৰ্ট কৰিব ।

*শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ সভাপতি ডাঙৰীয়া, মই দীঘলীয়া নকৰো, মাত্ৰ দুটামান কথা কম । কমলা শৰ্মা আৰু বুদ্ধেশ্বৰ বৰাৰ একচন লোৱা নাই, ডি,চি,ক দায়িত্ব দিয়া হৈছিল । প্ৰতিবেদন দাখিল কৰিছে, কিয় একচন লোৱা নাই ? তেওঁৰ পৰিবাৰে দিশপুৰলৈ আহি কোনোবাৰ ভৰিত ধৰি তেল মালিচ কৰিছে, গতিকে ফাইল বন্ধ হৈ গৈছে । নলবাৰী, মঙ্গলদৈত একচন লোৱা হৈছে, এই জনৰ বিৰুদ্ধে কিয় একচন লোৱা নাই ? শিক্ষা বিভাগটো আপোনালোকে ভাল কৰক এই বিভাগটো শেষ হৈ গৈছে । আপোনালোকে দায়িত্ব লৈছে, আশ্বাস দিছে, সেই কাৰনে ওৱেল কাম কৰিছো । প্ৰাক্তন সাহিত্য সভাৰ সভাপতিৰ জোৱায়েক ধেমাজীত ডিষ্ট্ৰিক ইলিমেন্টৰী এডুকেশ্বন অফিচাৰ হৈ আছিল, তেও ৭৭০ জনক নিযুক্তি দিছিল । তেওঁ মঙ্গলদৈ লৈ ডিষ্ট্ৰিক এলিমেন্টেৰী এডুকেশ্বন অফিচাৰ হৈ আহিল । তেওক চাচ্‌পেন কৰা হৈছে । এই বিষয়টো ৰাজনৈতিক দৃষ্টি ভঙ্গিৰে নাচায় সামাজিক সমস্যা যাতে নহয়, তাৰৈ লক্ষ্য ৰাখি চাকৰি বিলাকৰ চৰকাৰীকৰণৰ ব্যৱস্থা কৰক, এই খিনি কৈযে মই সামৰণি মাৰিছো ।

(Hon'ble Speaker occupied his Chair at 10.45 A.M).

---

* Speech not Corrected

Mr. Speaker :- Now Hon'ble Minister Education.

*শ্ৰী হেমপ্ৰকাশ নাৰায়ণ ( শিক্ষা মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিৰোধী দলৰ দলপতি গোস্বামী ডাঙৰীয়াৰ লগতে আন কেৰাজনো মাননীয় বিধায়কে শিক্ষক সকলৰ নিযুক্তি সম্পৰ্কে সদনত উত্থাপন কৰিছে যিটো বিষয় অত্যন্ত স্পৰ্শকাতৰ, তেখেত সকলে আবেগিক ভাবে বিষয়টোৰ ওপৰত আলোচনা ডাঙি ধৰিছে। বিগত চৰকাৰে ৭০৬৬ টা পদৰ বিপৰীতে ৫৪০৩ টা শিক্ষকৰ পদত ততাতয়াকৈ নিযুক্তি দি এই চাকৰি ২০০১ চনৰ ৩১ মাৰ্চলৈ বাহাল ৰাখিছিল। পূৰ্বৰ শিক্ষামন্ত্ৰীয়ে ততাতৈয়াকৈ শিক্ষকৰ নিযুক্তি দিছিল সেই নিযুক্তিৰ সম্পৰ্কিত যিখন চিঠি দিছিল সেই চিঠিখন বৰ্ত্তমান আমাৰ হাতত আছে। চিঠিখন মই পঢ়ি দিব বিচাৰিছো।

শিক্ষক সকলৰ নিযুক্তিৰ সম্পৰ্কিত কোৱা হৈছে ........

